# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Bāẽhai | |
| Translated Title: | |
| Place of Publication: Kolkotā (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

ষষ্ঠ খণ্ড    প্ৰথম সংখ্যা

# সূচী


| বিষয় | সূচী |
| --- | --- |
| সম্পাদকৰ চৰা | ৩৪৫ |
| ললিতা কাকতী | ৩৫৬ |
| শোহৰৰ হেঁচা | ৩৬৫ |
| হজৰত মহম্মদ (দঃ) | ৩৬৯ |
| মনৰ সন্দেহ | ৩৭২ |
| এখন চিঠি | ৩৭৭ |
| সম্পাদকৰ মন্তব্য | ৩৭৭ |
| সোণোৱাল জাতি | ৩৭৮ |
| অতীতৰ উক্তি | ৩৮১ |
| দক্ষিণপাট সত্ৰ | ৩৮২ |
| স্বাস্থ্য আৰু আমাৰ আহাৰ | ৩৮৪ |
| গঙ্গাৰ প্ৰতি ভগীৰথ | ৩৯১ |
| উৎসাহ | ৩৯১ |
| গান | ৩৯২ |

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ গ্ৰন্থ

মহাপুৰুষ

**শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ**

বেচ ২৲, ডাকখৰচ সুকীয়া।

এই বৃহৎ গ্ৰন্থ ভকতৰ ধন,

বৈষ্ণৱৰ মস্তকমণি।

---

সুন্দৰকৈ বন্ধোৱা।

**বাখৰ। বেচ ।০ চাৰি অনা।**

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ নতুন কিতাপ। চোলাৰ বুকুৰ যোনাত লৈ ফুৰিবৰ নিমিত্তে এই এখুদমান কিতাপখন লেখা হৈছে। ইয়াত মাথোন গোটাচেৰেক উপদেশ।

---

**শ্ৰীভগৱৎ কথা।**

বেচ আঠ অনা।

**শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ আৰু এখন নকিতাপ।**

লৰা ছোৱালীক ঈশ্বৰৰ বিষয়ে শিক্ষা দিবৰ নিমিত্তে এই কিতাপ যুগুত কৰা হৈছে। অভিভাৱক সকলে নিজৰ সন্তানৰ হাতত এই কিতাপ দি সন্তানক ঈশ্বৰ বিশ্বাসী আৰু প্ৰকৃত জ্ঞানী কৰক। ফল নিশ্চয় অমৃতময় হব।

মেনেজৰ—টিম্বৰ এণ্ড ষ্টোৰ এজেন্সি,

২২নং বোজমেৰি লেন, হাওড়া।





## সম্পাদকৰ চৰা।

"ধৰ্ম্মক জানোহোঁ মই তাহাত প্ৰবৃত্তি নাই,
অধৰ্ম্মতো নিবৃত্তি নহয়।
হৃদিস্থিত হুয়া তুমি যেন কৰোৱাহা স্বামী,
তাকে মাত্ৰ কৰোঁ কৃপানয়॥—গোৱা।

এইষাৰ কথা, জ্ঞানৰ পোহৰ কম পোৱা অন্ধবিশ্বাসী আৰু লোকৰ গল গ্ৰহ হব খোজা একেহুৱাৰ নিমিত্তে নহয়, যদিও সেই শাৰীৰ লোকসকলে ইয়াক কথায় কথায় মাতে, কথায় কথায় ব্যৱহাৰ কৰে; এইষাৰ শ্ৰুতি স্মৃতি আদিৰে ব্যৱস্থিত, দৰ্শনৰ যুক্তি তৰ্কেৰে পৰিশোধিত, জ্ঞানৰ আলোকেৰে আলোকিত, পুৰাণৰ পাৰমাৰ্থিক কল্পনা-বিমিশ্ৰিত, পৰমাৰ্থ তত্ত্বজ্ঞানেৰে প্ৰমথিত মনৰ জ্ঞানী ভক্তৰ হৃদয়ৰহে আচল কথা। এই জ্ঞানী ভক্তই কয় যে "চাৰি বেদ চৈধ শাস্ত্ৰ, ওঠৰ পুৰাণ, ছবন দৰ্শন ইত্যাদিত যি ধৰ্ম্মৰ পথবোৰ প্ৰদৰ্শিত হৈছে সেই পথবোৰৰ বিষয়ে মই সকলো জানো, মই সকলোবিলাক মোৰ দ্বাৰাই অৱলম্বিত আৰু পৰীক্ষিত হৈছে। আৰু অৱশ্যে জানো যে সেই বেদ বেদান্ত আদি শাস্ত্ৰৰ বাণী তোমাৰেই বাণী। আৰু জানো যে গীতাত তুমি মুক্তিলাভৰ উপায় স্বৰূপে যি জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগৰ উপদেশ দিছা, সেইবোৰও তোমাৰ আপোন মুখৰে উপদেশ; কিন্তু হে প্ৰভু, হে ভক্তবৎসল ভগৱান, তথাপি মোৰ মনক একো একো বেলি ভাৱৰে ঢাকি ধৰে, তথাপি মই কেতিয়াবা কেতিয়াবা সমুখত পোহৰ নেদেখি ধুৱলি কুঁৱলি দেখোঁ; তুমি দেখুৱা জ্ঞান পথাৰে বাট বুলোঁতে বুলোঁতে মোৰ চকুত জলক-টবক লাগি আহে,—কিয়নো বৰ পোহৰ, বৰ জেউতি; ভালকৈ চকু মেলি চাব নোৱাৰোঁ। হে প্ৰভু, বৰ পোহৰ একাৰৰ সমান। তোমাৰ অখণ্ড অত্যুজ্জ্বল জ্ঞানৰ প্ৰখৰ জ্যোতি মোৰ চৰ্ম্মচক্ষুৰে ধাৰণ কৰিব নোৱাৰে; জ্ঞানৰ চিন্তা কৰোঁতে কৰোঁতে

নেথোন কেতিয়াবা অজ্ঞানতাই জ্ঞানৰ ভাওজুৰি তাত সোমাই সবলে নষ্ট কৰে! আৰু চাবলৈ গলে হে প্ৰভু, মোৰ শক্তিৰ ভিতৰুৱা ক্ষুদ্ৰ সীমাবদ্ধ জ্ঞানেই বা তোমৰ অনিৰ্ব্বচনীয় অখণ্ড অশেষ জ্ঞানৰ তৰ পায় কেনেকৈ? মুক্তিলাভৰ preliminary পাতনি কৰ্ম্ম কৰি চিত্তশোধন কৰি থাকোঁতেই নেথোন তাত নানা বিধিনি নানা বিপদ নানাদোষ পৰি তাক পণ্ড কৰি দিয়ে, চিত্তশোধন কৰি মন-দৰ্পণৰ ধূলি মলি জাৰি-জুকি গুচাই থাকোঁতেই নেথোন আকৌ আহি সংসাৰৰ ধূলিয়ে তাক চাটি পেলায়!—সি জড় সংসাৰৰ ধূলিমাকটিৰে লগৰীয়া বস্তু বুলিহে হবলা। হে প্ৰভু, তোমাৰ উপদেশ মতে তোমাৰে সৈতে মোৰ আত্মাৰ যোগ সাধন কৰিবলৈ যোগ মাৰ্গ অৱলম্বন কৰি নথৈ পৰিশ্ৰম কৰোঁতে কৰোঁতে মই হাইৰাণ হৈছোঁ তথাপি নোৱাৰোঁ; তোমাক ধৰোঁ ধৰোঁ, ছোঁও ছোঁও হওঁতেই, সংসাৰৰ এন এটা দুষ্পূৰ কামনা, দুৰ্ঘোৰ দুৰ্ব্বাসনাই মোৰ মনত সোমাই যোগৰ চেষ্টাত বিয়োগ সাধন কৰি দিয়ে! এতেকে হে প্ৰভু, মই কি কৰিম, কলৈ যাম? তুমি যাক অধৰ্ম্ম বুলি কৈছা, সেই অধৰ্ম্মলৈ নাযাওঁ বুলি প্ৰাণপণে যত্ন কৰিও দেখোন মই কৃতকাৰ্য্য হব নোৱাৰোঁ! মই কৰই নোৱাৰোঁ, কৰ পৰা যে কিহৰ ধুমুহা আহি মোৰ দুৰ্ব্বল মনক মোহাৰি পেলায়হি। মই জানিশুনিও কোনোমতে অধৰ্ম্মৰপৰা নিবৃত্ত হব নোৱাৰোঁ। এতেকে হে প্ৰভু, হে ভগৱান, হে মোৰ বাহিৰে-ভিতৰে গুৰু, হে হৃদিস্থিত পৰমেশ্বৰ, মই তোমাত কায়মনোবাক্যে আত্মসমৰ্পণ কৰিলোঁ, তোমাৰ যি মন যায় তাকে মোৰ হতুৱাই কৰোৱাঁ, মই ধৰ্ম্মৰ বাটত ঠিক থাকিবা নোৱাৰোঁ!

* * *

পৰমেশ্বৰত absolute resignation-অৰ ভাব অৰ্থাৎ সম্পূৰ্ণৰূপে unconditional surrender আত্মসমৰ্পণৰ ভাব ইয়াতকৈ আৰু কি হব পাৰে? এয়েই যীচুৰ প্ৰচাৰিত খ্ৰীষ্টধৰ্ম্মৰ resignation, এয়েই মহম্মদ প্ৰচাৰিত মছলেম ধৰ্ম্মৰ মহাবলৱন্ত বিশ্বাসৰ আত্মসমৰ্পণৰ, এয়েই হিন্দুধৰ্ম্মৰ গীতাশাস্ত্ৰৰ শ্ৰীকৃষ্ণোপদিষ্ট একশৰণ, এয়েই শঙ্কৰ মাধৱ প্ৰকাশিত মহাপুৰুষীয় বৈষ্ণৱধৰ্ম্মৰ একশৰণ।

* * *



ভক্তৰ ঈশ্বৰত আত্মসমৰ্পণ resignation সংসাৰধৰ্ম্মত ঈশ্বৰনিৰ্দ্দিষ্ট কৰ্ম্মৰ প্ৰতি বিমুখতা নহয়, নিষ্কৰ্ম্মা ঔদাস্যৰ জীৱন নহয়; ভক্তৰ এই আত্মসমৰ্পণত নিজৰ অহং বিলোপ, নিজে অকৰ্ত্তা আৰু ঈশ্বৰ সকলোৰে কৰ্ত্তাৰ ভাব এই আত্মসমৰ্পণত অসীম বলৰ, অনন্ত ক্ষমতাৰ, অখণ্ড আনন্দৰ উৎস। মই অকামিলা অপাৰগ দুৰ্ব্বলৰ গুৰিত সকলো কাৰ্য্যৰ গুৰি সৰ্ব্বপাৰগ অনন্ত-বলীৰ বল আছে। ইন্দ্ৰিয়বিলাকক সবল কৰি সেইবোৰৰ দ্বাৰাই মই মোৰ কাৰ্য্য কৰোৱাই লোৱাৰ দৰে ঈশ্বৰে মোৰ দ্বাৰাই তেওঁৰ ইচ্ছাৰ কাৰ্য্য-বোৰ সম্পন্ন কৰি লৈছে; তেওঁ মোৰ সকলো কাৰ্য্যৰ সকলো ইচ্ছাৰ মূলত থকাত মোৰ অসীম সাহ, অদম্য উৎসাহ, প্ৰবল কাৰ্য্যকৰী শক্তি, দুৰ্ঘোৰ বিভীষিকাত নিৰ্ভিকতা, নৈৰাশ্যৰ দুখত অক্লিষ্টতা, সুখৰ ধাৰ-নিছিগা প্ৰবাহ। ঈশ্বৰৰ চৰণত আত্মসমৰ্পণ কৰোতা ভক্তৰ এই অমৃত বাণী শুনি লোৱাঁ হে অহম্মমী অবিবেকী মানৱ! তোমাৰ আগতে আহি আছে, চকু মেলি চোৱাঁ, ঈশ্বৰত সম্পূৰ্ণ আত্মনিবেদন কৰোতা যিচুখৃষ্ট, মহম্মদ, নানকৰ কি কি শক্তি কি ক্ষমতা লাভ! তেওঁলোকৰ সাংসাৰিক—কি ধনৰ, কি ঐশ্বৰ্য্যৰ, কি সম্মানৰ, কি ক্ষমতাৰ অধিকাৰ আছিল, যে তেওঁলোকে বিশ্ব-বিজয় কৰিলে? এইটো হৰ দিগ্বিজয়ী তেওঁলোকৰ কি বল? এনেকুৱা তেওঁলোকৰ আহিঁ দেখিও তুমি অহঙ্কাৰৰ আশ্ৰয় লৈ সসীম সংসাৰে দিয়া ক্ষুদ্ৰ ঐশ্বৰ্য্য সম্মান ক্ষমতালৈ হেঁপাহ কৰি, মহান্ অসীম পৰমাত্মাদত্ত ক্ষমতা আৰু পাৰমাৰ্থিক ঐশ্বৰ্য্য সম্মানলৈ আওকাণ কৰি আছা! হায়! আন হিচাপ consideration এৰিলেও, তুমি যদি লাভ লোকচানৰ হিচাপ কৰোতা চতুৰ business-men ব্যৱসায়ীও হোৱা, তেনেহলেও এনে ক্ষুদ্ৰ লাভৰ বেহা কৰিবলৈ যোৱাটো তোমাৰ বুদ্ধিবৃত্তিৰ পক্ষে অগৌৰৱৰ কথা নহয় নে? এতেক হে ব্যৱসায়ী, তুমি এনে ব্যৱসায় কৰাঁ, যি ব্যৱসায়ত পৰম লাভ আছে। মহাপুৰুষ মাধৱদেৱৰ এই কথাষাৰ এবাৰ ভাবি চোৱাঁ—

"ভাৰত বৰ্ষৰ দ্বীপ, মনুষ্য শৰীৰ নৌকা<br>
ৰামনাম মহাবস্তু সাৰ।<br>
হেনয় বাণিজ পাই যিটোজনে নকৰয়<br>
তাতপৰে দুখী নাহি আৰ॥"—ঘোষা।

* * *

"জানামি ধৰ্ম্মংন চ মে প্ৰবৃত্তি" এই শ্লোকটোৰ শেহডোখৰ "ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি" বিকৃত ভাৱে চৰ্চ্চা কৰি কৰি আজিকালি অনেকে তাৰ আৰ লৈ কু কাম কৰা দেখা যায়। এই দেখিহে ইংৰাজীত একাষাৰ কথা আছে "The devil can cite the Scriptures to support his wicked deeds" অৰ্থাৎ চৈতানেও তাৰ মতলব সিদ্ধি কৰিবৰ নিমিত্তে তাৰ কথাৰ সমৰ্থন কৰিবলৈ বাইবেলৰ বাক্য উদ্ধৃত কৰিব পাৰে। আমি পাহৰা নাই যে আজিকালিৰ এনাৰ্কিষ্ট anarchist অৰ্থাৎ ৰাজদ্ৰোহীসকলৰ হাতত একোখন গীতা পোৱা যায়, আৰু কলিকতাৰ মুৰাৰিপুকুৰ বাগান ঘৰত' (তেওঁলোকৰ যত ঘাই আড্ডা আছিল) ৰীতিমতে গীতা পঢ়োৱা আৰু পঢ়োতা ৰাজদ্ৰোহী অধ্যাপক আৰু ছাত্ৰ আছিল। এইটো এক ফুলৰে মৌ, কোনোৱে মুখত পৰি বিহ আৰু মৌ-মাখিৰ মুখত পৰি মৌ হোৱাৰ নিচিনা কথা। "ত্বয়া হৃষিকেশ" শ্লোক মাতি কুকামৰ পোষকতা কৰে তাৰো এনে কথাই। এইটো মনত কৰিলেই হয় যে ঈশ্বৰ মঙ্গলময়, করুণাময়, ন্যায় আৰু সৎ। এনে ঈশ্বৰক যদি আমাৰ সকলো মনোবৃত্তিৰ সৈতে সম্পূৰ্ণভাৱে পাতি তেওঁত আত্মসমৰ্পণ কৰা যায়, তেন্তে তেওঁ আমাৰ দ্বাৰাই তেওঁৰ সৃষ্টিৰ অমঙ্গলকাৰী কাৰ্য্য কৰোৱাটো একেবাৰেই অসম্ভৱ! তোমাৰ কুকাৰ্য্য কৰিবৰ প্ৰবৃত্তি হৈছে কৰা, কৰি অধঃপাতলৈ যাব খুজিছা যোৱা, কিন্তু ঈশ্বৰে সেই কুকাৰ্য্য তোমাৰ হৃদয়ত থাকি কৰাইছে বুলি কৈ, লোকক ফাঁকি দি লগে লগে নিজৰ মনকো ফাঁকি আৰু মিছা প্ৰবোধ দি, তোমাৰ বিবেকক ঢাকি থৈ, Sacrilige অৰ্থাৎ অধৰ্ম্ম কৰি মঙ্গলময় ঈশ্বৰত অমঙ্গলভাৰ আৰোপ কৰি নিজে নষ্ট হোৱা কিয়? তোমাৰ অদম্য বাসনা প্ৰবল কুপ্ৰবৃত্তিয়ে তোমাক কুকাম কৰিবলৈ উদগাইছে, ঈশ্বৰৰ বীণাৰ সুমধুৰ বাণীলৈ তুমি কাণ নিদি কুপ্ৰবৃত্তিৰ ঢাক ঢোলৰ মাতলৈ কাণ দিছা, আৰু সেই ঢাক ঢোল বন্ধ নকৰি তাৰে তোমাৰ হৃদিস্থিত হৃষিকেশৰ বীণাৰ স্বৰাৱ বুৰাইছা, অথচ কৈছা—"ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি!" কি আপদীয়া কথা! তেনে কৰি বৰং তোমাৰ কোৱা উচিত,—লোভ মোহ কাম ক্ৰোধৰ দ্বাৰাই "যথা নিযুক্তোঽস্মি তথা কৰোমি।" তুমি কোৱা যে কাম



ক্ৰোধ লোভ মোহ আদিও তেওঁ ঈশ্বৰৰ সৃষ্ট বস্তুহে, তেন্তে সেইবোৰে যি কৰোৱায় সিও ঈশ্বৰে কৰোৱা বুলিবা কেনেকৈ? আমি কওঁ হয়, কিন্তু তাৰ use-অৰ বিধান ঈশ্বৰে আন প্ৰকাৰহে কৰিছে, তাৰে তোমাৰ দ্বাৰাই তেওঁৰ সৃষ্টি নাশ কৰাবলৈ, আৰু তোমাক ৰসাতললৈ পঠিয়াবলৈ বিধান কৰা নাই। তোমাৰ হাতৰ কটাৰীখনেৰে তুমি তামোল কাটিলে তামোল খাই তৃপ্তি লাভ কৰিবলৈ পাবা, আৰু আঙুলি কাটিলে খঁৰা-আঙুলীয়া হবা; এই কথা। পোহৰৰ তেজ বঢ়াবলৈ যেনেকৈ এন্ধাৰ থাকে, পুণ্যৰ জ্যোতি উজ্জ্বল কৰিবলৈ সেইদৰে পাপ থাকে। এন্ধাৰ পৰিত্যাগ কৰি যেনেকৈ পোহৰলৈ মানুহ যায়, পাপ পৰিত্যাগ কৰি তেনেকৈ পুণ্যলৈ সন্ত সাধু যায়। কলা ছাইৰে যেনেকৈ ঘঁহি ৰৌপ্যাদি তৈজস দ্ৰব্য উজ্জ্বল কৰা হয়, পাপেৰে সেইদৰে পুণ্যক উজ্জ্বল কৰা হয়; কিন্তু কলা ছাই তোমাৰ পেৰাত ৰাখিব লগীয়া বস্তু নহয়, তাক চুই পেলাই উজ্জ্বল তৈজস দ্ৰব্যহে পেৰাত ৰাখিব লগীয়া বস্তু। চুৰ্নিবাৰ প্ৰবল লোভ মোহ কাম ক্ৰোধক অহোপুৰুষাৰ্থ সুমাৰৰ বস্তু। চুৰ্নিবাৰ প্ৰবল লোভ মোহ কাম ক্ৰোধক ঈশ্বৰে সৃজন কৰি বলি দি তুমি পৰীক্ষাত উঠিব লাগে দেখি সেইবোৰ ঈশ্বৰে সৃজন কৰিছে। তেওঁ সেই পৰীক্ষা দুৰূহ কৰি দি তাৰে সৈতে তোমাক যুঁজাই কৰিছে। তেওঁ সেই পৰীক্ষা দুৰূহ কৰি দি তাৰে সৈতে তোমাক যুঁজাই তোমাৰ ক্ষমতা বঢ়াই দি তোমাক প্ৰবল আৰু উন্নত কৰিছে। তুমি তাক বুজি বা বুজিব নুখুজি সেই ৰিপুবলাকৰ অধীন হৈ থাকা আৰু কোৱা,—"ঈশ্বৰে যেনে কৰাইছে, মই তাকে কৰিছোঁ!"

"বিষয় সম্বন্ধ সুখ সমস্ত যোনিত পায়,
হৰি সেৱা একো স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱলো মনুষ্য তনু,
জানি সুখে হৰিগুণ গাই॥"—ঘোষা।

তুমি এইবাৰ গুৰুবাক্য পাহৰি আওবাটে যাব লাগিছা, আকৌ শ্লোক ৰাভিছা "ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি!" তুমি দেখা নাই নে কাম, ক্ৰোধ, লোভ, মোহ, আদি বিষয় সম্বন্ধ সুখ কাউৰী, ছাগলি, সাপ, বাঘ, গৰুবো আছে, সিহঁতো তাৰ অধীন; সেইবোৰৰ ওপৰত কৰ্ত্তৃত্ব কৰিবলৈ সিহঁতক জ্ঞান বিবেচনা ঈশ্বৰে দিয়া নাই; কিন্তু তোমাক দিছে। কিয় দিছে কোৱাঁচোন? ঈশ্বৰে আশা কৰে যে তুমি শ্ৰেষ্ঠ জীৱ, এতেকে

জ্ঞান বিবেচনাৰে তুমি সেই দুৰ্দ্দান্ত দানৱ ৰিপুবোৰৰ ওপৰত জয় লাভ কৰি জীৱৰ উন্নতিৰ আৰু ওখ থাপলৈ যাবা। ঈশ্বৰে দিয়া জ্ঞান বিবেচনাৰ সদ্ব্যৱহাৰ নকৰি যদি তুমি তাক পেলাই থৈ ৰিপুৰ দাস হোৱা তেন্তে তোমাৰ ওপৰত ঈশ্বৰে যি trust impose কৰিছিল অৰ্থাৎ কৰ্ত্তব্যৰ ভাৰ দিছিল, তাত তুমি fail হলা, কৃতকাৰ্য্য নহলা। তুমি dutiful নহৈ নিজৰ যায় নিজে চিন্তিলা, আৰু শেহত কোৱা যে "ত্বয়া হৃষিকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি!" কত হৰিভকতৰ ই grand resignation মহান্ আত্মসমৰ্পণৰ বাক্য, আৰু কত মতলবী মোহান্ধৰ এই শ্লোকাৰ্দ্ধৰ আবৃত্তি আৰু বিকৃত মৰ্ম্মগ্ৰহণ! তুমিচোন কোৱা, যীচু খৃষ্ট, মহম্মদ, জনক, ভীষ্মকে আদি কৰি যিসকল ঈশ্বৰত আত্মসমৰ্পণ কৰোতা মহাপুৰুষ আছিল তেওঁলোকে লোভ মোহ আদি ৰিপুক প্ৰশ্ৰয় দিয়া কোনো কাৰ্য্য কেতিয়াবা কৰিছিল নে? যদি নাই কৰা, তেওঁলোকে তুমি বুজাদি "ত্বয়া হৃষিকেশ"ৰ মানে সুবুজি আন প্ৰকাৰে বুজিছিল কিয়? সেইটো আচল মানে নে তোমাৰ তো?

* * *

যি যিটো বস্তু দিনে ৰাতিয়ে ধ্যান কৰে, সদায় মন প্ৰাণ যিটোত সপি দিয়ে সেই বস্তুটোতে তেওঁৰ লাহে লাহে আশক্তি জন্মি তাকে লাভ মনত ভাবি তাৰে আনন্দত তেওঁ নিমগন হয়। যি দিনে ৰাতিয়ে টকা টকা কৰি থাকে, টকা ঘটাকেহে জীৱনৰ একমাত্ৰ কাম বুলি কৰে, ক্ৰমাত তেওঁৰ টকাতেই এনে এটা আনন্দ হয় যে টকা যে means to an end অৰ্থাৎ আন সুখ পাবৰ উপায়, সেইটোলৈ তেওঁ পাহাৰি যায়; দিনে ৰাতিয়ে টকাকে বুকুত বান্ধি সচেতে সপোনে টকাৰ সমাজিক দেখি কটায়; আৰু শেহত তেওঁৰ এনে অৱস্থা হয় যে তেওঁ নৰীয়াত পৰি মৰিবলৈ ওলালেও নিজৰ নিমিত্তে ঔষধ পথ্য আৰু চিকিৎসাৰ অৰ্থে পইচা খৰচ কৰিব নোৱাৰি টকাক বান্ধি থৈ নিজক বিনাশ কৰে। তেওঁৰ নিজৰ মৃত্যু-শোকতকৈও ধন-ভগণৰ শোক মৰ্ম্মভেদী! পুত্ৰ দাৰা আদি বিষয়ত অতিৰিক্ত আশক্ত জনৰো এনে অতিৰিক্ত অৱস্থা-ঘটে। ভকতি সুখত মজি থকা ভক্তৰো এনে অৱস্থাৰে তুলনা কৰিব পাৰি, যদিও ভক্তৰ অৱস্থা ideal আহি অৱস্থা। শেহত ভক্তই



ভক্তি-সুখৰ বাহিৰে আন একো নিবিচৰা হয়, মুক্তি-সুখও তেওঁৰ এলাগী হৈ পৰে। ভক্তৰ এই অৱস্থাৰে সৈতে বিষয়ীৰ অৱস্থাৰ এই মহা প্ৰভেদ যে, বিষয় সুখাসক্তই বিষয়ক পাই সংসাৰতে মজি সংসাৰী হৈ জন্মজন্মান্তৰ কটাব লগীয়া হয়, ঈশ্বৰভক্তি-সুখত মজা ভক্তই তেওঁৰ আকাঙ্ক্ষিত ঈশ্বৰৰ চৰণ-পঙ্কজ সেৱাসুখ পাই অখণ্ড অমিয়া সুখৰ অধিকাৰী হয়। হে সকামী মানৱ, তুমি পাৰ্থিৱ বস্তুৰ কামনা কৰি কি শান্তি পাবা? কিহে তোমাৰ হিয়া পুৰাব? ব্ৰহ্মাণ্ডৰ সকলো বস্তুৱেও যে তোমাৰ কামনা পুৰাব নোৱাৰে; তুমি যিমান পোৱা,- তোমাৰ হৃদয়ে ততালিকে আকৌসিমান বিচাৰিব। এতেকে সকলো কামনা পৰিত্যাগ কৰি ঈশ্বৰৰ অক্ষয় নামামৃত পিয়াঁ, তোমাৰ সন্তোষ লাভ হব।—

"শুনিয়ো হৃদয় হেৰ ব্ৰহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোৰয়।
তাক তাজি কৃষ্ণনাম, অক্ষয় অমৃত পিয়া
সন্তোষক লভিয়ো হৃদয়॥"—ঘোষা।

এই বাবেহে শ্ৰীমদ্ভাগৱতত কৈছে যে, ব্যাসে কৰ্ম্মযোগ জ্ঞানযোগ সকলো আচৰণ কৰিও মনত শান্তি নেপাই, তেওঁৰ মনৰ মহাক্লেশ কোনোমতে গুচাব নোৱাৰি, শেহত নাৰদৰ উপদেশত

"একচিত্তে মাধৱত কৰিয়া ভকতি।
তেবে তান নিৰ্ম্মল নিশ্চল ভৈল মতি॥
ভকতিৰ পৰম আনন্দ ভৈলা জাত।
হৃদয়তে ঈশ্বৰক দেখিলা সাক্ষাত।
কৃষ্ণৰ অধীন মায়াদেৱীকো দেখিল।
তেবেসে ব্যাসৰ যত সংশয় গুচিল॥"—ৰত্নাৱলী।

* * *

ঈশ্বৰ লাভ কৰিবলৈ আন আন মাৰ্গৰ নিচিনাকৈ ভক্তিমাৰ্গত বেছি সময় আৰু শ্ৰম নালাগে। ভক্তি কৰোঁতে কৰোতে ভকতৰ ভকতি স্বভাৱ-সিদ্ধ second nature হৈ পৰে। মানুহে যেনেকৈ গুৰিতে কথা কবলৈ, খোজ কাঢ়িবলৈ যত্ন কৰি শিকে, কিন্তু শেহত সেইবোৰ কাম স্বভাৱসিদ্ধ যেন

হৈ পৰে আৰু ইন্দ্ৰিয়ৰ বৃত্তিবোৰো যেনেকৈ শেহত অযত্নতে নানা বিষয়ত প্ৰবৰ্ত্তিত হয়, তেনেকৈ ভকতৰ, ঈশ্বৰত ৰতি হৈ মন স্বভাৱতে তেওঁৰ চৰণত প্ৰবৰ্ত্তিত হয়। তেতিয়া ভক্তই ভকতিক ত্যাগ কৰি আন একো কামনা নকৰে, কাৰণ নোৱাৰে ;—ঈশ্বৰত ভক্তিয়ে তেওঁৰ মন যদি পেলালে যে ; নিকাম ভাবে মাথোন ঈশ্বৰৰ চৰণ সেৱা কৰি থাকিবলৈ পালেই তেওঁৰ হল। তেওঁ আৰু একো নিবিচাৰে। তেওঁ তেতিয়া তেওঁৰ কাণক ঈশ্বৰৰ কথা শ্ৰৱণত, মুখক কীৰ্ত্তনত, মনক ঈশ্বৰৰ সুমৰণত, হাতক ঈশ্বৰৰ কামত, চকুক জগতক ঈশ্বৰময় দেখাত, শিৰক ঈশ্বৰ বুলি কৰি সমস্ত জগতক নমস্কাৰত, নাকক ঈশ্বৰৰ নিৰ্ম্মাল্য ঘ্ৰাণত আৰু জিভাক ঈশ্বৰৰ প্ৰসাদ আস্বাদনত মাত্ৰ লগায়। মুক্তিপদ সুখৰ হলেও, সেইদেখি ভকতে ভক্তিক তাতকৈ শ্ৰেষ্ঠ দেখে ; কাৰণ সেৱাৰ আনন্দসুখ মুক্তিত নাই, ভক্তিত আছে, অথচ ভক্তিতে মুক্তিৰ সুখকো পোৱা যায়। এই নিমিত্তে ভক্তি কৰিলে ভক্তিয়ে ভক্তিসুখ যে মিলায়েই মুক্তি-সুখকো আনি দিয়ে, মুক্তিৰ নিমিত্তে সুকীয়াকৈ পুৰুষাৰ্থ কৰিব নেলাগে। এই বাবে শঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে,—

"ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰ তত্ত্ব॥"

* * *

ভক্তিয়েই সকলো উপাসনাৰ সাৰ এইটো আমি দেখি আহিছোঁ। কিন্তু কেনেকৈ ভক্তি কৰিব লাগে সেইটো আমাক কোনে কৈ দিব ? শ্ৰীমদ্ভাগৱতে ন বিধ ভক্তিৰ কথা কৈছে—

"শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ॥"
কীৰ্ত্তন।

এই ন বিধ ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি। ভক্তই এই ন বিধ ভাগৱতী ভক্তি কৰি ঈশ্বৰৰ উপাসনা কৰে। এই ন বিধ ভক্তিকে উপাসনাৰ সাৰ বুলি ধৰা যায়। শঙ্কৰদেৱেও এই ন বিধ ভক্তিকে ভাগৱতৰপৰা আনি



প্ৰচাৰ কৰিছে। কিন্তু ন বিধৰ ভিতৰত তেওঁ শ্ৰৱণ কীৰ্ত্তনক প্ৰাধান্য দিছে। বাস্তৱিক পক্ষতো এই দুই বিধেই যে আনবোৰতকৈ শ্ৰেষ্ঠ তাৰ কোনো ভুল নাই। আকৌ শ্ৰৱণ কীৰ্ত্তনৰ ভিতৰতো শ্ৰৱণেই হে আদি। তুমি যাক ভক্তি কৰিবা, তাৰ বিষয়ে শুনাই হে তোমাৰ প্ৰথম কাৰ্য্য। তেওঁৰ গুণশীল শুনোতে শুনোতে তেওঁৰ প্ৰতি তোমাৰ চিত্ত সুপ্ৰসন্ন হব, ৰতি জন্মিব, তেতিয়া তুমি নিজেও তেওঁৰ গুণশীল কীৰ্ত্তন কৰিব পৰা হবা আৰু কৰি পৰম আনন্দ লাভ কৰিবা ; আৰু তাৰ পিছত লাহে লাহে বগাই গৈ বাকী সাত বিধ ভক্তিতো তুমি পৰায়ণ নহৈ নোৱাৰা। ভক্ত দামোদৰ দেৱে আদিভক্তি শ্ৰৱণতে বেছি নিমগন হৈ দিনে ৰাতিয়ে ঈশ্বৰৰ গুণশীল শ্ৰৱণ কৰি কটাইছিল, কাৰণ, প্ৰথম শ্ৰৱণেই হে তেওঁক শঙ্কৰদেৱৰ সমীপলৈ আকৰ্ষণ কৰি আনে। মহাপুৰুষে তেওঁৰ অমূল্য উপদেশবোৰৰ এটা উপদেশত দুইচাৰি আষাৰৰ ভিতৰতে গুৰলাকৈ কৈ এই ভক্তিৰ কথা কেনেকৈ কৈছে চোৱা—

"শুনা সভাসদ সব যুগুতি বচন।
হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ॥
মহন্তৰ মুখে কথা শুনি প্ৰথমত।
তেবেসে পুৰুষে পায় ভকতিৰ তত্ত্ব॥
কথা শুনিলেসে গুচে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য়॥"

শাস্ত্ৰত ন বিধ ভক্তিৰ কথা কলে ; কেনেকৈ সেই সেই ভক্তি কৰিব লাগে তাকো বহলাই উপদেশ দিলে ; কিন্তু হে ভক্ত, ভক্তিত পাৰদৰ্শী মহন্ত ভকতৰ মুখে তুমি শুনি লোৱা প্ৰথমতে,—কেনেকৈ ভক্তি কৰিব লাগে, নতুবা তোমাৰ খৰচি নমৰে। তেহে পদে পদে তুমি উজুটি খোৱা প্ৰতিবন্ধকবোৰ এৰাই কৃতকাৰ্য্য হৈ ভকতিৰ পথত আগবাঢ়ি আচল তত্ত্ব পাব পাৰিবা। আয়ুৰ্ব্বেদ শাস্ত্ৰত ৰোগ আৰু ৰোগৰ চিকিৎসাৰ বিষয়ে তন্নকৈ ব্যাখ্যা কৰা আছে ; কিন্তু তুমি যদি ভাল কবিৰাজ হব খুজিছা তেন্তে প্ৰাজ্ঞ কবিৰাজ অধ্যাপকৰ ওচৰত সেই শাস্ত্ৰ পঢ়ি কবিৰাজি শিক্ষা কৰা, তেহে সেই বিদ্যা তোমাৰ সৰ্ব্বতোভাৱে আয়ত্ত হব। নতুবা তোমাৰ ভিষক্

বিস্তাৰ খৰচি নমৰে, তুমি এধাখুন্দা বেজ হে হবা। ভক্তিও সেইদৰে মহন্ত সাধুভক্তৰ ওচৰত তেওঁৰ উপদেশ মতে শিক্ষা কৰা, অনুশীলন কৰা আৱশ্যক। ভক্তি যদিও সুগম, তথাপি অনন্যমনা হৈ তাক আচৰণ কৰিলে তাত সিদ্ধিলাভ সুদুষ্কৰ হৈ উঠে। এটা কথা মন কৰিবলৈ পাহৰিব নেলাগে যে উজু কাৰ্য্যবোৰেই, উজু কথাবোৰেই যে আমুৰৰ অধীন কম হয়; কাৰণ উজু বুলি মানুহে সেইবোৰক অৱহেলা কৰে, বা একেদিনাই কৰিম বুলি পেলাই থৈ দিয়ে। ইচপৰ শহাপহ আৰু কাছৰ সাধুতে এই কথাৰ নীতি আছে। ভকতিৰ পথ যদিও উজু, কিন্তু মানুহৰ স্বভাৱ হৈছে, উজু বস্তুৰ ফালে আকৃষ্ট নহৈ, সহজপ্ৰাপ্য বস্তুত মূল্য স্থাপন নকৰি, জটিল আৰু কষ্টসাধ্য বস্তুৰ ফালে ঢাল লোৱাটো। এইটোও, ঈশ্বৰৰ মায়াৰে খেলা। পানী বতাহ সহজপ্ৰাপ্য উজু বস্তু, সেইদেখি তাৰ মূল্য সাধাৰণ মানুহৰ মানত কম বা একৰকম নাই বুলিলেই হয়; কিন্তু এই দুইটা এনে বহুমূলীয়া পদাৰ্থ যে তাৰ অভাৱত মানুহৰ নিতাতে মৰণ। মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত উজু অথচ অমূল্য ধৰ্ম্মত সেইদেখি আসাম বঙ্গাই মূল্য নেদেখি বঙ্গদেশৰ তান্ত্ৰিক ধৰ্ম্ম আসামলৈ আনি গ্ৰহণ কৰিছিল. এই কাৰণৰ নিমিত্তেই মহাপুৰুষ বিহিত উজু অসমীয়া মাতৃভাষাত উচ্চৰিত শৰণতকৈ সংস্কৃত বিজড়িত দীক্ষাক কোনো কোনো ব্ৰাহ্মণ মহন্তই, আৰু তেওঁলোকৰ শিকনিৰে মন ঘোৰ-পাক খোৱা শিষ্যই শ্ৰেষ্ঠ বোলে! অথচ যেই শৰণ, সেই দীক্ষা, যেই তণ্ডুল, সেই চাউল; বৰং শৰণ আমাৰ মাতৃভাষাত উক্ত দেখি সি দীক্ষাৰ মন্ত্ৰতকৈ অবাধে সহজে আমাৰ মৰ্ম্মত প্ৰৱেশ কৰে, সেইদেখি সি শ্ৰেষ্ঠ। হায়! ঘৃতপক্ক মছলা-মিশ্ৰিত rich "পোলাওৰ" চমকেই এনে। স্বাস্থ্য বিজ্ঞানৰ হিচাপত পোলাও plain ভাততকৈ তল খাপৰ হলেও— আৰু বৰং অস্বাস্থ্যকৰ হলেও—মানুহে কিন্তু পোলাও খাবলৈ হেঁপাহ কৰি ফুৰে, আৰু পইচা খৰচ কৰি মৰে! এই নিমিত্তেই তাহানি ইউৰোপত লাটিন গ্ৰীক ভাষাত ৰচিত গ্ৰন্থৰ প্ৰাধান্য প্ৰচলিত ভাষাৰ গ্ৰন্থৰ ওপৰত আছিল; এই কাৰণেই আজিও আমাৰ মানত, সংস্কৃত ভাষাত ৰচিত শ্লোকৰ প্ৰাধান্য আমাৰ মাতৃ ভাষাতকৈ আছে; এই কাৰণেই কাৰো কাৰো মনত ক্লীং হ্ৰীং ফট্-অৰ শ্ৰেষ্ঠতা ৰাম শব্দৰ ওপৰত বৰ বেছি; কাৰণ ৰাম যে বৰ



উজু, বৰ সৰল, আৰু সকলোৱে সহজে মাতিবপৰা, আৰু সি যে "ঢাকিলে-ঢুকিলে-লাখ টকা"ৰ জাতৰ হ্ৰীং ক্লীং নহয়।

"দুওটি অক্ষৰ ৰাম নাম
শ্ৰীৰাম নাম অমিয়া মাধুৰী ক্ষৰে।
অতি সুকোমল পৰম মঙ্গল,
সৱে মনোৰথ পুৰে॥"—ঘোষা।

কিন্তু ৰাম এনে সুকোমল আৰু সৱে মনোৰথ পুৰোৱা হলে কি হব?—ৰাম যে একেবাৰেই উকা আখৰ, আৰু যে সি অতি সহজে উচ্চাৰণ কৰিবপৰা সহজপ্ৰাপ্য! তাত তো ক্লীং হ্ৰীং-অৰ অৰ্দ্ধং অলঙ্কাৰ-কাঁইট নাই! কাইট, নোহোৱা গোপালক কোনে আদৰ কৰিব? এতেকে "বুদ্ধিমানসকলে," মন্ত্ৰ লোৱাক, দীক্ষা লোৱাক, ৰামকৃষ্ণ নামত শৰণ লোৱাতকৈ যে শ্ৰেষ্ঠ যেন দেখিব তাত আশ্চৰ্য্য কি!

* * *

কিন্তু ৰামকৃষ্ণ নামত শৰণ লোৱা ভক্তই ভক্তিকে সাৰ বুলি জানি ভক্তি কৰি আছে, কৰি থাকিব, তেওঁলোকক আন একো একো নালাগে। তেওঁলোকে শ্ৰীমদ্ভাগৱতে বিবৃত কৰা ন বিধ ভক্তি কৰিও, "মই ভকতি কৰিব জনা ভকত" বুলি এক কণিকামাত্ৰও অহঙ্কাৰ আৰু শ্ৰেষ্ঠতাৰ ভাব মনলৈ নানি কয়,—"হে প্ৰভু, তোমাত ভক্তি কৰিব যে লাগে এই মহৎ উপদেশ আমি পাইছোঁ, তুমি উপদেশ দিয়া প্ৰকাৰেই আমি তোমাত ভকতি কৰিবলৈ চেষ্টা কৰিছোঁ, কিন্তু প্ৰভু, তথাপি তাক কেনেকৈ কৰিব লাগে নেজানো, ভালকৈ তাৰ উৱাদিহ নেপাওঁ, যিমনকে কৰিছোঁ সিমান আমাৰ মনত খেলাইছে যে আমি ঠিক কৰিব পৰা নাই। আৰু হে প্ৰভু, আমাৰ সীমাবদ্ধ ক্ষুদ্ৰ ক্ষমতাৰে পাৰিমেই বা কেনেকৈ? এতেকে পৰমেশ্বৰ! দয়াময়! ভক্তবৎসল ভগৱান! তোমাত আমি সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিছোঁ, আমাক তুমি শিকাই দিয়া কেনেকৈ ভক্তি কৰিব লাগে; শিকাই দিয়া হে প্ৰভু শিকাই দিয়া,—

"কিমতে ভকতি কৰিবোঁ তোমাত হৰি এ,
মই মূঢ়মতি নাজানো তাৰ উপায়।

মহা বলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ,
আমাৰ মনক ত্যজিয়া দূৰ নাযায় ॥
তোমাৰ মায়ায়ে মন মোহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাওঁ।
অভয় চৰণে শৰণ পশিলোঁ হৰি এ,
তুৱা গুণ নাম ভকতি-প্ৰদীপ চাওঁ ॥
ভকতি মিনতি প্ৰণতি নাজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীন-মতি নাই।
তুমি প্ৰভু কৃপা-ৰসৰ সাগৰ হৰি এ
দিয়ো মোক তুৱা পদছায়া তলে ঠাই ॥"—ঘোষা।

এইটি ভক্তৰ হৃদয়-কন্দৰস্থিত ভক্তিৰসবিমিশ্ৰিত কি সুন্দৰ প্ৰাৰ্থনা! ভক্তৰ হিয়াৰ মৰ্ম্মস্থলীৰপৰা ওলোৱা কি নিবেদন! কি আবেদন! কি কাকুতি! কি প্ৰাণস্পৰ্শী প্ৰাৰ্থনা! ভাই অসমীয়া, পৃথিবীৰ সুসভ্য, অসভ্য, অৰ্দ্ধসভ্য, কোন দেশৰ ধৰ্ম্মপ্ৰচাৰক সাধক ভক্তৰ হৃদয়ৰপৰা এনে "মহতোৰ্মহিয়ান" প্ৰাৰ্থনা ওলাইছে, এবাৰ সেইবোৰৰে সৈতে, তুলীয়া আমাৰৰ এচুকত পৰি থকা আমাৰ মহাপুৰুষ মাধৱদেৱৰ তুমি এই প্ৰাৰ্থনাটি বিজাই চোৱাঁ, মহোকুৰি চোৱাঁ। আমাৰ দৃঢ় বিশ্বাস, তেতিয়া তুমি নিঃসন্দেহে কব পাৰিবা, যে ধৰ্ম্মবিষয়ত তোমাৰ দেশ আন সকলো দেশতকৈ ধনী; আৰু শঙ্কৰ মাধৱ তোমাৰ আঁচলৰ নিধি।

---

# ললিতী কাকতী।

কাকতীয়নী। মোৰ হলে লৰাটো বৰ পছন্দ হৈছে। আমাৰ আইটীৰ বেছ জোৰ হব। লৰাটো দেখিবলৈকো যেনে, গুণীও তেনে। ঘৰখন একেবাৰেই যে বেয়া এনেও নহয়; তাৰ উপৰি বি, এ, পাছ কৰা দৰা, আজিৰ বাদে কাইলৈ সি চৰ্কাৰৰ ঘৰৰ ডাঙৰ কাম এটা পাব; মোৰ ছোৱালী ডাঙৰ হব, সুখে থাকিব।



কাকতী। তোমাৰ কথা এক প্ৰকাৰে ঠিক, কিন্তু সঁচা কথা কবলৈ গলে মোৰ হলে লৰাটো সিমানকৈ পছন্দ হোৱা নাই। তাৰ মুখৰ গঢ়ত এনে কিবা এটা যেন আছে মোৰ দেখি ভাল নলাগে। আগলৈ আমাৰ ছোৱালীজনী তাৰে সৈতে সুখেৰে থাকিব পাৰিবনে নোৱাৰে, মোৰ হলে সন্দেহ হয়, তুমি যিহকে কোৱা।

কাকতীয়নী। আপুনি সদায় চুলি এডালকে চাৰি ফাল কৰি চাই ফুৰিহে তেওঁ মজিলত পৰে। ইমানকৈ ভাবিবলৈ গলে, ছোৱালীক বিয়াই দিয়া নহয়। মানুহে কয় বোলে বৰকৈ বাছোঁতে বাছোঁতে গেলা বৰালিতহে হাত পৰেগৈ। আমাৰো তেনে নহলে ৰক্ষা। মোৰ মনেৰে এই লৰালৈকে আইটীক দিওঁহক; লৰাৰ মাক বাপেকেও বৰকৈ হাউচ কৰি ধৰিছে; আদৰক নেওচাটো জানো ভাল?

কাকতী। দিব খুজিছা দিয়াঁ। কিন্তু মোৰ হলে মন মুকলি হোৱা নাই। দিয়াঁ, কিজানি তোমাৰেই কথা ঠিক, মোৰেই ভুল।

কাকতী-গাৱঁৰ প্ৰধান লোক শ্ৰীযুত সুন্দৰ কাকতীয়ে এদিন দুপৰীয়া ভাতৰ পাতত বহি, তেওঁৰ ভাৰ্য্যাৰে সৈতে এই কথাবাৰ্ত্তা পাতিছিল। সুন্দৰ কাকতী এজন ধৰ্ম্মিষ্ঠ আৰু ধনী লোক। গাৱঁৰ সকলোৱেই তেওঁক মান-সৎকাৰ কৰে। কাকতী অপুত্ৰক; মাথোন ললিতী নামেৰে জীয়েৰেকেই তেওঁলোকৰ ঘৰুৱা জীৱন পোহৰাই থকা বস্তিগছি। ললিতী পোন্ধৰ বছৰত পৰিল। কিন্তু কোনো ভাল দৰা তেওঁলোকে তেতিয়ালৈকে বিচাৰি পোৱা নাছিল। কাৰণ কাকতীয়ে বৰ খুতিনাতি কৰি দৰাৰ দোষগুণ বিচাৰে। তেওঁৰ একটী ছোৱালী কেনেবাকৈ দুখত পৰে বুলি তেওঁ সেই বিষয়ত বৰ সাৱধানে চলিব খুজিছিল।

ইফালে ছোৱালীজনী বিয়া দিবৰ হল দেখি তেওঁ মনে মনে চিন্তিত হৈও আছিল। গাৱঁৰ দুই তিনিজন ভাল ডেকা লৰাৰ নিমিত্তে যদিও ললিতীক খোজা হৈছিল তথাপি তেনে দৰালৈ ছোৱালীজনী দিবলৈ তেওঁৰ মন মেলা নাছিল। কাৰণ ললিতী নগৰত থাকি বালিকা স্কুলত লেখাপঢ়া শিকা ছোৱালী আৰু আজিকালিৰ নবা ধৰণৰ; ধান বনা, পানী অনা, চোতাল সৰা ইত্যাদি কামত তাই একেবাৰেই অনভ্যস্ত; অথচ গাৱঁলীয়া

দৰাত পৰিলে সেইবোৰৰ হাত সৰা টান। একেটী ছোৱালী বুলি কাকতী কাকতীয়নীয়ে ললিতীক আতোল-তোলকৈ ডাঙৰ দীঘল কৰিছিল। এতেকে মূঠতে ললিতী কেনে অৱস্থাত কি দৰে উঠিছিল, অনুমান কৰি ললেই হব। ইয়াৰ উপৰি ললিতী দেখিবলৈকো বৰ ধুনীয়া। তাইক বৰণত লোকে পাটমুগী বুলিছিল আৰু চলন, ফুৰণ, কথাবাৰ্ত্তাত বিতোপন বুলি কৈছিল। ললিতীৰ স্বভাৱো সুন্দৰ বুলি সেই অঞ্চলত প্ৰখ্যাত আছিল। তাইৰ দোষৰ ভিতৰত এইটোৱেই যে তাই অলপ জেদী আছিল; আৰু সেইটো কাকতী কাকতীয়নীৰ চকুত পৰা নাছিল যে এনে নহয়; কিন্তু তেওঁলোকে ভাবিছিল, মাক বাপেকৰ আতোল-তোল মৰমত যদিও তাইৰ সেইটো দোষ ঘটিছে, অৱশ্যে সি এনে কোনো সাংঘাতিক দোষ নহয় যে, সংসাৰত সোমালে অৱস্থাৰ পৰিবৰ্ত্তনত সি শুধৰিব।

যি দৰাৰে সৈতে ললিতীৰ বিয়া দিবৰ কথা হৈছিল সেই দৰাৰ সংক্ষেপ বিবৰণ তলত দিয়া গল;—দৰাৰ নাম শ্ৰীকান্ত হাজৰিকা। নিবাস—বকৰা গ্ৰাম। পিতাৰ নাম মিনাৰাম। মাতাৰ নাম লেতেৰী। ব্যৱসায় খেতি-বাতি, আৰু খেতিবাতিৰপৰা উৎপন্ন বস্তু বিক্ৰি। শ্ৰীকান্ত বি, এ, পাচ; তাৰ পিছত বা ফলত চব্ ডিপুটী।

শ্ৰীকান্তলৈ ললিতীক যে খোজা হল আৰু খোজাৰ পিছত ললিতীৰে সৈতে তেওঁৰ বিয়া হল, সেইটো ওপৰত দিয়া বিবৰণৰপৰাই বগাই গৈ পাবগৈ পাৰি।

বিয়াৰ এমাহৰ পিছতে ললিতীৰ স্বামী-গৃহবাস-সুখৰ জেউতি চাৰিও-ফালে বিৰিঙি ওলাবলৈ ধৰিলে। তাৰে গোটাচেৰেকৰ তালিকা তলত দিলোঁ, (১) দিনো স্বামীৰপৰা ললিতীৰ পিঠিত লাথি, বুকুত গোৰ, গালত চৰ, তাৰ উপৰি সোতা জোতাৰ আৰু বেত সোকাৰ কোৰ লাভ।

(২) দিনো ললিতীৰ বাপেক মাক আৰু সাত পুৰুষৰ, স্বামীৰ দ্বাৰাই গালিৰে সপিণ্ডীকৰণ। গালিৰ চানেকীবোৰ এই বিবৰণত তুলি দিবৰ অযোগ্য দেখি তাৰপৰা বিৰত হোৱা গল।

(৩) দিনো চব্ ডিপুটি হাকিম স্বামীৰ দৃঢ় প্ৰতিজ্ঞা আৰু ললিতীক ভয়



প্ৰদৰ্শন যে, ললিতীক বাপেক মাকলৈ ওভোতাই দি তেওঁ ন—কৈ ভাল ছোৱালী বিয়া কৰিব। ইত্যাদি।

এই খিনিতে কোৱা আৱশ্যক যে চব্ ডিপুটী হাকিমে বিয়াৰ পিছতে ললিতীক তেওঁৰ মফস্বলৰ ঘৰলৈ লৈ গৈছিল। শহুৰ শাহুৱেকৰ ঘৰত মুঠেই দুদিন কি চাৰিদিন হে ললিতী থাকিবলৈ পাইছিল।

ললিতীৰ স্বামীসুখ আৰু ঘৰ-সংসাৰ ভাগি চুৰমাৰ হোৱা দুখৰ বৃত্তান্ত-বোৰৰ বিশেষকৈ উল্লেখ নকৰি এইখিনিতে ইয়াকে মাথোন চমুকৈ কোৱা যাওক, যে ললিতীৰ বাপেকে জীয়েকৰ দুৰ্দ্দশাৰ কথা শুনি, জীয়েকক কিছু দিনৰ নিমিত্তে নিজৰ ঘৰলৈ লৈ আহিবলৈ বুলি ধন-বিত ভাৰি গৈ চব্-ডেপুটী হাকিমৰ কাষ পালতে, হাকিমে তিনিশ-তেত্ৰিশ আষাৰ গোকাত গালিৰে শহুৰেকক অভ্যৰ্থনা কৰি, বৈণীয়েকৰ গাৰ অলঙ্কাৰ-পাতি আৰু ভাল কাপোৰ-কানি সোপাকে কাঢ়ি লৈ শহুৰেকৰ হাতত বৈণীয়েকক “প্ৰতি সম্প্ৰদান” কৰিলে অৰ্থাৎ ওলোটাই দিলে।

জীয়েকৰ নিমিত্তে অগত্যা সকলো অপমান গিলি জীণ নিয়াই শহুৰেকে ঘৰলৈ ছোৱালীজনী আনিলে; তেওঁ আশা কৰিছিল, কিছুদিনৰ মূৰত জোঁৱায়েক “ঠাণ্ডা” হলে আকৌ ছোৱালীজনী তেওঁ তাত থৈ আহিবগৈ। কিছু দিনৰ মূৰত সুন্দৰ কাকতীয়ে জোঁৱায়েকৰ খং মাৰ গৈছে বুলি ভাবি, নানা কাকুতি মিনতি কৰি, জীয়েকক আকৌ জোঁৱায়েকৰ ওচৰলৈ পঠিয়াই দিবলৈ প্ৰস্তাৱ কৰি জোঁৱায়েকলৈ চিঠি লেখিলে। সেই চিঠিৰ উত্তৰত—“মহাশয়, আমুকা ৰবাৰ মধ্যমা কন্যা আমুকীৰে সৈতে মোৰ শুভ বিবাহলৈ আপোনাক এই পত্ৰ দ্বাৰাই নিমন্ত্ৰণ কৰিলোঁ, সপৰিবাৰে আহি সন্তোষ প্ৰদান কৰিব।” বুলি লিখা চিঠি কাকতীৰ হস্তগত হল। দুখত শোকত অন্তৰ বিদীৰ্ণ হৈ ধাৰ্ম্মিক সুন্দৰ কাকতীয়ে এই ঘটনাৰ তিনি মাহৰ ভিতৰতে নশ্বৰ দেহ পৰিত্যাগ কৰি সিপুৰীলৈ প্ৰস্থান কৰিলে।

আচল ঘটনাৰ ওৰ পাওক বা নাপাওক, মানুহ দুদল হোৱাটো দস্তুৰ সদায় আছে! এই ক্ষেত্ৰতো সেয়ে হল। এদলে কাকতী কাকতীয়নী আৰু কাকতীৰ জীয়েকৰ গাত দোষ দিলে; আন দলে চবডিপুটি হাকিমৰ গাত

দোষ দিলে। কিন্তু দোষ যাৰে গাতে পৰক, ফলত ললিতী জীয়া-ৰাৰী হল চৰ্ ডিপুটি হাকিমে পুনৰ্ব্বাৰ বিবাহ কৰিলে।

ইয়াৰ কিছুদিনৰ পিছত দেখা গল, যে চৰ্ ডিপুটী হাকিমৰ এই দ্বিতীয় বাৰ বিয়াৰ ফলেও প্ৰথম বিয়াৰূপ মহাজনৰ পন্থা ললে। প্ৰায় একে দৰেই চৰ্ ডিপুটীৰ এই দ্বিতীয় পক্ষৰ গৃহিণীয়েও অচিৰতে পৰিত্যক্তা হৈ জীয়াৰাৰীৰ শাৰী পূৰালে। আগেয়ে ললিতীৰ গাত দায় দিওঁতা দলৰ প্ৰায় পোন্ধৰ অনা লোকে এই দ্বিতীয় বিবাহৰ ফল লক্ষ্য কৰি ভাগি আহি সি দলৰ লগত যোগ দিলে। আমাৰ বি, এ, চৰ্ ডিপুটী হাকিম ডাঙৰীয়া কিন্তু "নাছোৰ বান্দা।" বিয়াৰ বিষয়ত তৃতীয় বাৰ experiment অৰ্থাৎ সংপৰীক্ষা কৰি চাবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হল; কাৰণ তেওঁ "চায়েন্স কোৰ্চৰ্ গ্ৰেজুৱেট"। তেখেতে সকলো বিষয়ৰ "লেবৰেটৰিত" পুঙ্খানুপুঙ্খৰূপে বাৰে বাৰে পৰীক্ষা কৰি নাচালে স্থিৰ সিদ্ধান্ত কৰাটো তেখেতৰ অভ্যাস নহয়। গতিকে তৃতীয় পক্ষ সংঘটিত হল। যি হওক, সি কিন্তু এতিয়াও "লেবৰেটৰিতে এক্সপেৰিমেণ্টেল" অৱস্থাত আছে অৰ্থাৎ তাৰ পৰীক্ষা চলিছে, ফল ওলোৱা নাই।

ইতিমধ্যতে ললিতীৰ হাতৰ চিঠি এখন এই উপাখ্যান লেখকৰ হাতত পৰিল, যাৰ অবিকল নকল তলত দিয়া গল—

শ্ৰীযুক্ত শ্ৰীকান্ত হাজৰিকা চৰ্ ডেপুটী কলেক্টৰ ডাঙৰীয়াৰ সমীপেষু,

মোৰ আষাৰচেৰেক কথা আপোনাক কবৰ সকাম আছে, মুখেৰে কবৰ উপায় নাই দেখি চিঠিৰে লেখি দিলোঁ। মই জানো, যে এই চিঠি আপুনি পঢ়ি ফালি পেলাব, কাকো নেদেখুৱায়; সেইদেখি ইয়াৰ নকল এখন শ্ৰীযুত বাঁহীৰ সম্পাদক ডাঙৰীয়ালৈকো পঠিয়াই দিলোঁ, বাঁহীত ছপা কৰিবলৈ; যাতে আপুনি চিঠিখন লুকাই ৰাখিব নোৱাৰে।

আপুনি কলিকতাত পঢ়ি বি, এ পাছ কৰি "শিক্ষিত" হৈ আহিহে মোক বিয়া কৰাইছিল, তাৰ আগেয়ে অৰ্থাৎ অশিক্ষিত অৱস্থাত নহয়। মইহে অশিক্ষিতামূৰ্খ তিৰুতা, আপুনি শিক্ষিত আৰু বিশ্ববিদ্যালয়ৰ ছাব-মোহৰ পোৱা "গ্ৰেজুৱেট"। কিন্তু মোক কওকচোন, বিশ্ববিদ্যালৰ শিক্ষাত এইটো শিকনি দিয়েনে যে লোকৰ সৰু ছোৱালী এজনী বিয়া কৰাই আনি তাইক



দিনো চোৰ কিলোৱাদি কিলাব পায়, আৰু হালৰ গৰু বোৱাদি বাব পায়? আৰু তাইৰ মাক বাপেকৰ চৈধ্যপুৰুষ উকতি গালি পাৰিব পায়? বি, এ, মহলাত উঠিলে মানুহে মাক, বাপেক, শহুৰ, শাহু, গুৰুগোসাঁইৰ কাকো কুটা এগছৰ সমানকে নামানি নেগুৰ-কটা বাঘ হৈ ওলাবৰ অধিকাৰ পায় নে কি? আৰু হাকিম হলে, শহুৰেক জোৱাঁয়েকৰ ঘৰলৈ আহিলে শহুৰেকক জোৱাঁয়েকে "তুমি কব মানুহ? কি লাগে? তোমাৰে সৈতে এতিয়া মোৰ দেখা কৰিবৰ ফোৰ্চুৎ নাই" বুলি চকিত বহি মেজৰ ওপৰত ভৰি তুলি চেলেউ হপিব পায় নে কি? অথবা নানা কৰ্কশ কথা কৈ অপমান কৰি শহুৰেকক বিদায় দিব পায়। এইটো হাকিমৰ গুণ নে, বি, এ, মহলাত উঠাৰ গুণ? নাইবা "শিক্ষিত" আৰু "সভ্য" হোৱাৰ লক্ষণ, মোক জানিবলৈ দিব নে?

আগৰ কালৰ শিক্ষাত তিৰুতাক অৰ্দ্ধাঙ্গিনী বুলিছিল, সহধৰ্ম্মিনী বুলিছিল; আপোনাসকলৰ আজিকালিৰ বিলাতী শিক্ষাত "better half" বোলে। কিন্তু মুখেৰে এনেবোৰ সম্বোধন কৰি, গৰু মহৰ প্ৰতিও মানুহে যেনে ব্যৱহাৰ নকৰে তেনে ব্যৱহাৰ তিৰুতাৰ প্ৰতি কৰিব পায় নে? এয়েই আপোনালোকৰ উচ্চশিক্ষা নে? উচ্চশিক্ষা মানে চাহাবী টুপি, ঠেঙা, কোট পিন্ধি, মেজত কুকুৰা, ভেৰা, গৰু, গাহৰীৰে খানা খোৱাটোৱেই নে? আৰু মদ খাই মতলীয়া হৈ ফুৰাটোৱেই নে? চৰিত্ৰ ৰক্ষা কৰাটো অকল তিৰুতাৰ হে কৰ্ত্তব্যৰ ভিতৰৰ, পুৰুষৰ নহয় নে?

সেইডাই মোৰ দুখ দুৰ্দ্দশা দেখি নেথাই-নবই শোকত শুকাই-উখাই প্ৰাণত্যাগ কৰিলে! আইও বেজাৰত মৰে মৰে। আই বোপায়ে পেটৰ পোৱালিক পুতেকৰ তুল্য জোৱাঁয়েকৰ হাতত সঁপি দিছিল নে যমৰ হাতত? তিৰুতাৰ ওপৰত অত্যাচাৰ আৰু দুৰ্ব্ব্যৱহাৰ কৰিবলৈকে মাক বাপেকে নিজৰ সন্তানক বুকুৰপৰা ছিৰি পুৰুষৰ তিৰুতা কৰি দিয়ে নে? পুৰুষে তিৰুতাৰ স্বভাৱ চৰিত্ৰ নিৰ্ম্মল হৈ থাকিবৰ নিমিত্তে সেপোন বৰ কটকটীয়া বিধি বিধান দিয়ে, কিন্তু তেওঁলোকৰ নিজৰ ফালে তেনে বিধি বিধানৰ বান্ধোনবোৰ ঢিলাপোলোকা কৰি লয় কিয়? তেওঁলোকে তিৰুতাৰ পৰা যেনে নিৰ্ম্মল শুদ্ধ চৰিত্ৰ বিচাৰে, তিৰুতাইও তেওঁলোকৰপৰা

তেনে বিচাৰিব নোৱাৰে কিয়? কৰ্ত্তব্য এফলীয়া একপক্ষীয়া কেনেকৈ কেতিয়াৰপৰা হল?

আমাক পুৰুষে বৰকৈ দেখোন পতিভক্তি শিকায়; পুৰুষ আমাৰ ভক্তিৰ পাত্ৰ হবলৈ যত্ন নকৰি চৰিত্ৰবিষয়ত উদণ্ড হয় কিয়? আমাক স্বামীৰ শত দোষলৈ অওকাণ কৰি চকু মুদি থাকি দিনে ৰাতিয়ে স্বামীৰ সেৱা কৰিবলৈ পুৰুষে কয়; স্বামী পাষণ্ড দুৰ্ব্বৃত্ত দুৰাচাৰ মদপী কুচৰিত্ৰবান হলেও সেইবোৰলৈ আমি চকু নিদি, মাত্ৰ স্বামীসেৱাকেহে কৰি থাকিবলৈ তেওঁলোকে ব্যৱস্থা দিয়ে; কিন্তু তেওঁলোকে পাহৰে যে আমিও মানুহ। কিয়, তিৰুতা অলপ দোষতে যে পৰিত্যাগ কৰিব লগীয়া হয়, স্বামীৰ বেলিকা নো এই অন্ধভক্তি কিয়? ইতিহাস পুৰাণ ধৰ্ম্মশাস্ত্ৰৰ নানা উদাহৰণ দি পুৰুষে এইবোৰ শিকনি তিৰুতাক দিয়ে; দিয়ক ভাল কথা; আমি সেই শিকনি লম; কিন্তু তেনেবিলাক সৎ গুণ আমি স্বামীৰ ফালৰপৰা দাবী কৰিব নোৱাৰোঁ কিয়? "জোৰ যাৰ মলুক তাৰ" নীতি পুৰুষৰ বেলিকা দেখা যায় কিয়? ইয়াৰ কাৰণ, অকল পুৰুষৰ হাতত আইন কৰাৰ আৰু আইনৰ ব্যৱস্থা দিয়াৰ ভাৰ দেখি নহয় নে?

কোনো পশুপ্ৰকৃতি দুশ্চৰিত্ৰ পুৰুষেৰে সৈতে কোনো তিৰুতাৰ বিয়া হল। সেই পুৰুষে সেই তিৰুতাৰ জীৱন ব্যৰ্থ কৰিলে। তথাপি সেই তিৰুতাই সেই পশু স্বামীটিৰপৰা দিনে ৰাতিয়ে লাথি চৰ গোৰ খাই তেওঁক সেৱা কৰি, পূজা কৰি, ধ্যান কৰি থাকিব লাগিব; কাৰণ সেই পশুটি সেইজনী (তেহেলৈ সেই তিৰুতা দেৱীৰ চৰিত্ৰৰ হলেও) তিৰুতাৰ ইহকাল পৰকালৰ লগৰীয়া!!! আন সহস্ৰ সহস্ৰ গুৰুতৰ ভুলৰ শুধৰণী আছে, প্ৰাচিত আছে, ক্ষমা আছে, কিন্তু দৈবাৎ ঘটা এই বিয়াৰ বাক্কোনৰ ভুলৰ শুধৰণী নাই, প্ৰাচিত নাই, ক্ষমা নাই, এৰণ নাই, ইহকাল পৰকাল দুইকালত এই তিৰুতাই সেই পুৰুষেৰে সৈতে নৰকৰ যন্ত্ৰণা ভোগ কৰি থাকিব লাগিব! কি শাস্তি! কি ব্যৱস্থা! কি অবিচাৰ! মঙ্গলময় ঈশ্বৰৰ এনে অমঙ্গল অবিচাৰৰ বিধান হব পাৰে নে? উদাহৰণ স্বৰূপেই ধৰক;—আপুনি মোক যমৰ যাতনা দি, অপমান কৰি পৰিত্যাগ কৰি, ভবিষ্যত মিলনৰ বাট পৰ্য্যন্ত মাৰিও, আকৌ এজনী বিয়া কৰিলে। কিন্তু আপুনি খিউ ঠোলাচেৰেক



জুইত দি কিবা সুবুজা মন্ত্ৰ গোটাচেৰেক মাতি, মোৰে সৈতে নকৰিব লগীয়া বিয়াখন কৰিছিল দেখি, মোৰ আৰু আপোনাৰ হাতৰপৰা ইহকালত যে উদ্ধাৰ নাইয়েই পৰকালতো নাই!!! কোন্ পুৰুষ ঋষি মুনিৰ এই ব্যৱস্থা, তেওঁক যেন ঈশ্বৰে এবাৰ তিৰুতা জনম দি, আপোনাৰ সৈতে বিয়াৰ খোৰোচা-পাতিডাল লগাই দিয়ে, ঈশ্বৰৰ ওচৰত মোৰ এই প্ৰাৰ্থনা।

শুনক, এনে ব্যৱস্থা ঈশ্বৰৰ ব্যৱস্থা নহয়, হব নোৱাৰে। আমি তিৰুতা-বোৰ আপোনাসকল পুৰুষৰে নিচিনা মানুহ হে, আপোনাসকলৰ খেমালিৰ পুতলা, বা মাটিকলহ, বা ভৰিৰ খৰম বা গোহালিৰ গৰু ছাগলি নহওঁ। আপুনি যেনেকৈ মোক পৰিত্যাগ কৰিলে, মোৰো আপোনাক অযোগ্য বিবেচনা কৰি পৰিত্যাগ কৰিবৰ অধিকাৰ সম্পূৰ্ণ আছে। আৰু পৰকালৰ তো দূৰৰ কথা, ইহকালতে সেইদিনাই—যি দিনাই মোক আপুনি আপোনাৰ ঘৰৰপৰা অপমান কৰি খেদি পঠিয়ালে—আপোনাৰে সৈতে মোৰ সকলো সম্বন্ধ গল।

তিৰুতা হলেই যে তাইক বিয়া দিবই লাগিব, বা তাই বিয়া কৰাবই লাগিব, নহলে তাইৰ জাত গল, কুল গল, জীৱন ব্যৰ্থ হল, এই কথা মই নামানো; কাৰণ সি ভুল, ভুল, সম্পূৰ্ণ ভুল। যোগ্য, ধাৰ্ম্মিক, মনুষ্যত্বৰ মোল বুজা, স্বামী আৰু সঙ্গী হবৰ উপযুক্ত লোক পালে অৱশ্যে তিৰুতা ছোৱালীৰ বিবাহত মঙ্গল, কাৰণ মঙ্গলময় ঈশ্বৰৰ সি ইচ্ছা। তেনে দৰা নেপালে তিৰুতা ছোৱালীয়ে কস্মিনকালেও বিয়া কৰিব নেপায়, আৰু মাক বাপেকেও বিয়া দিব নেপায়;—এইটো কাকতীৰ ঘৰৰ "অশিক্ষিতা" ছোৱালী ললিতী তিৰুতাৰ ব্যৱস্থা; কাৰণ তাই নিজে ভুক্তভোগী। পুৰুষক স্বায়ত্বশাসন লাগে, স্বৰাজ লাগে, কাৰণ নিজৰ ভাল বেয়াৰ আইন-কানুন তেওঁলোকে নিজে কৰি নিজৰ সুখ বঢ়াব, দুখ কমাব; কিয়নো, লোকে আইন কৰিলে তেনে নহয়। আমি তিৰুতাবো সেয়ে যুক্তি। আমাকো স্বৰাজ স্বায়ত্বশাসন লাগে, আমিও আমাৰ আইন নিজে কৰি লম, পুৰুষৰ হাতত আমালৈ আইন কৰাৰ ভাৰ নাৰাখোঁ; কাৰণ তেওঁলোক পক্ষপাতীয়া আৰু সেই কাৰ্য্যৰ অযোগ্য প্ৰমাণিত হল। তেওঁলোকৰ মনু, পৰাশৰ, জ্ঞানী হলেও পুৰুষ, সেইদেখি তেওঁলোকে আমাৰ সম্পূৰ্ণ "দৰদ" নুবুজে।

আপোনাসকলেও তো কয় যে আমাৰ আইন আমি কৰি লয়, কাৰণ ইংৰাজ আইন কৰোতাসকল জ্ঞানী হলেও আমাৰ "দেশী মানুহৰ" সম্পূৰ্ণ "হাল" অভাৱ অভিযোগ তেওঁলোকে নুবুজে।

তিৰুতাই অকল বিয়া কৰি স্বামীসেৱা কৰা আৰু সন্তি-সন্ততি জন্মাই লালন-পালন কৰাৰ বাহিৰে যে তিৰুতাৰ জীৱন ইহসংসাৰত সফল কৰিবলৈ আন কাম নাই, এইটো "কুমাৰী" শ্ৰীমতী ললিতী কাকতীয়ে নামানে। বিয়াৰ দাসত্ব-শৃঙ্খলৰ বাহিৰে লক্ষ লক্ষ প্ৰকাৰৰ কাম আছে, যত লাগি থাকি তিৰুতাই নিজৰ জীৱন সফল কৰি মঙ্গলময় ঈশ্বৰৰ ৰাজ্যত মঙ্গলময়ৰ ইচ্ছা পূৰ্ণ কৰি নিজৰ জীৱন কটাই যাব পাৰে। কেৱল বিয়া, বিয়া, বিয়া! বিয়া নিদিলে ছোৱালী জহন্নামে গল! সেইদেখি থোৰা, কোঙা, চোৰ, ডকাইত, মদপী, দুষ্ট, যাকে পোৱা যায়, তাকে ধৰি আনি ছোৱালীজনী দিব লাগিব;—"গৰু পাৰ কৰিব লাগিব"। ছিঃ! পুৰুষ! তোমাৰ এই ব্যৱস্থা।

হাকিম ডাঙৰীয়া, আপোনাক শেষত এটা কথা কৈ এই চিঠি অন্ত কৰিম। আপুনি সমাজিকতো নাভাবিব, যে মোক পৰিত্যাগ কৰিলে বুলি মই জীৱন্তে মৰিলোঁ। আপোনাৰ নিচিনা পাপ-পিকজিৰ বান্ধনপৰা মুকলি হৈ মই জীলোঁ জানিব। এই পৃথিৱীত অশেষ দুখিত প্ৰাণী আছে, সিহঁতৰ দুখ গুচাবলৈ, সিহঁতক সেৱা শুশ্ৰূষা কৰিবলৈ মোৰ এই ক্ষুদ্ৰ নগণ্য জীৱন উছৰ্গা কৰি মই নিজক ধন্য মানিছোঁ। শক্তি অনুসাৰে পৰোপকাৰ কৰা, সৎ পুথি পঢ়া শুনা কৰা, সৎ কাৰ্য্য কৰা, ঈশ্বৰ চিন্তা ঈশ্বৰক সেৱা ভজনা কৰি জীৱন সাৰ্থক কৰা কাৰ্য্য কৰিবলৈ মই দৃঢ় সঙ্কল্প কৰিছোঁ। ঈশ্বৰে এই দাসীৰ অভিষ্ট সিদ্ধি কৰক, তেওঁৰ চৰণত এই প্ৰাৰ্থনা। ইতি

বিনীতা

শ্ৰীললিতী কাকতী।

পুঃ ঈশ্বৰে আপোনাক যেন সুমতি দি আপোনাৰ দোষ মৰিষণ কৰি মঙ্গল কৰে, তেওঁ ওচৰত মোৰ এইটোও প্ৰাৰ্থনা।

ল, কা।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---



# পোহৰৰ হেঁচা * (Pressure of Light)

নৈৰ ঢৌবিলাকে যুৱলিৰ বালিবিলাকৰ লগত উমলি উমলি সিহঁতক যেনেকুৱা একোটা আকৃতি দিয়ে সেইবিলাকলৈ চাই আমি কব পাৰোঁ যে "পানীৰ ঢৌৱে হেঁচা দিয়ে।" কিন্তু অকণি অকণি পোহৰৰ ঢৌৱেও যে হেঁচা দিব পাৰে এইটো বোধগম্য কৰা বৰ টান। চাকি এটা লগালে তাৰপৰা কিছুমান পোহৰৰ ঢৌ উৎপন্ন হৈ তাৰ পোহৰ পৰা ঠাইবিলাকত হেঁচা দিয়ে, ভাবিলে আচৰিত যেন নেলাগেনে বাৰু? সঁচাকৈয়ে পোহৰে হেঁচা দিয়ে, কিন্তু এই হেঁচাবিলাক ইমান সৰু সৰু যে সিহঁতৰ ভৰ বহুগুণেৰে বাঢ়িলেও আমি অনুভৱ কৰা বৰ টান। অতি সূক্ষ্ম যন্ত্ৰৰ সহায়েৰেহে কেৱল তাক ধৰিব পৰা যায়।

পোহৰে কেনেকৈ হেঁচা দিয়ে তাক এশ মান বছৰৰ আগেয়ে আজিৰ দিনতকৈ ভালকৈ বুজাব পৰা গৈছিল। তেতিয়া বৈজ্ঞানিকসকলে ভাবিছিল যে পোহৰ আন একো নহয় কেৱল কিছুমান কণিকা (corpuscule),—ক্ষুদ্ৰাদপিক্ষুদ্ৰ কিছুমান বস্তু এটি উজ্জ্বল পদাৰ্থৰপৰা প্ৰসৰি হৈ ভীষণ বেগেৰে যাব লাগিছে। পদাৰ্থৰ প্ৰতি অণু বা পৰমাণুৱেই যেন একোটি সৰু সৰু বন্দুকহে, ক্ৰমান্বয়ে তাৰপৰা গুলি ওলাব লাগিছে আৰু প্ৰত্যেকটো গুলিয়েই একোটি পৰমাণুতকৈয়ো হাজাৰ হাজাৰ গুণে সৰু। সকলো বস্তুৱেই, যতে পোহৰ পৰিছে, জানিবা এই কণিকাবিলাকৰ দ্বাৰাই ক্ৰমাগত প্ৰতিহত হব লাগিছে; কাজেকাজেই এই কণিকাবোৰে যে যতে পোহৰ পৰে তাতে হেঁচা দিয়ে তাক স্বাভাৱিকেই ভাবি লব পাৰি। ১৮ শতিকাত যেতিয়া কণাবাদ (Corpuscular Theory of Light) বৰ্ত্তমান আছিল পোহৰৰ এই হেঁচা জুখিবলৈ বহুতো যত্ন কৰা হৈছিল;—তেওঁলোকে সৰু এচটা লোহাৰ পাট কেতিয়াবা বতাহত ওলোমাই কেতিয়াবা শূন্যত (vacuum) ওলোমাই, তাত পোহৰ পৰিবলৈ দি পৰীক্ষা কৰিছিল। কেতিয়াবা এই পাতখন পোহৰে পিছলৈ ঠেলি দিছিল আৰু কেতিয়াবা

---

* একতা সভাৰ ১০ম বছৰৰ ১১শ অধিবেশনত পঢ়া হয়।

আগলৈ টানি আনিছিল ; গতিকে কোনো পৰীক্ষকেই একো সন্তোষজনক
ফল তাৰপৰা পাব নোৱাৰিলে

ইয়াৰ এশ বছৰৰ পিছত যেতিয়া টমাচ ইয়ঙে এই কণাবাদ মাৰি পোহৰৰ তৰঙ্গবাদ আগুৱাই দিলে আৰু জনসমাজত ই আদৰেৰে গৃহীত হল, তেতিয়া পোহৰে যে হেচা দিব পাৰে এই কথা ১৮৭৩ খৃষ্টাব্দত ক্লাৰ্ক মেক্সোৱেলে (Clerk Maxwell) Electro-magnatic Theory of Light প্ৰতিষ্ঠা নকৰালৈকে অসম্ভৱ বুলি তল পৰি ৰল। ক্লাৰ্ক মেক্সোৱেলৰ এই অনুমান মতে পোহৰ এটিয়াও ঢৌৰে গঠিত, কিন্তু এই ঢৌ তাঁৰহীন তেলিগ্ৰাফৰ ঢৌৰ দৰে অণুবৈক্ষণিক দৈৰ্ঘ্যতাৰে বিজুলী আৰু চুম্বকৰ আন্দোলন (disturbance) মাথোন। তেখেতে দেখুৱাইছিল যে এইঢৌৱেও হেচা দিয়ে, কিন্তু ইয়াৰ পৰিমাণ উপেক্ষিত কণাবাদ মতে পোৱা হেচাৰ আধাহে মাথোন। তেখেতে এডোখৰ কলা surface পৃষ্ঠত পোহৰ সমকোণত পৰিবলৈ দি প্ৰতি বৰ্গ ইঞ্চিত এক গ্ৰেইনৰ ( ৰতি ) দুই লক্ষ ভাগৰ একভাগ নাইবা প্ৰতি বৰ্গ মাইলত এসেৰ পৰিমাণ পোহৰৰ হেচা পাইছিল।

এওঁৰ পাছত বহুতে বহুতে উপায়েৰে এই হেচা জুখিছিল আৰু সকলোৱেই প্ৰায় একে ফলকে পায়। হেচা দিলে বলৰ উৎপাদন হয়, কিন্তু পোহৰৰ হেচাৰপৰা যি বল পোৱা যায় সি ইমান সৰু আৰু বতাহৰ সোত ইমান বেছি যে ইয়াত পৃথিবীত থাকি আৰু ইয়াৰ বায়ুমণ্ডলত (atmosphere) থাকি আমি "লেবৰেটৰিৰ" অতি সূক্ষ্ম যন্ত্ৰৰ সহায় ভিন্ন তাৰ একো সন্তোষ-
জনক ফল পাবলৈ আশা কৰিব নোৱাৰোঁ।

পৃথিবীৰ বাহিৰে যত গ্ৰহ নক্ষত্ৰবিলাকে সূৰ্য্যৰ কেউপিনে প্ৰদক্ষিণ কৰি আছে, যত প্ৰকৃত শূন্যতা ( absolute vacuum ) বিৰাজমান তাত পোহৰৰ হেঁচায় অবাধে উমলিব লাগিছে। আমাৰ ইয়াত ডাঙ্গৰ ডাঙ্গৰ বস্তুতো তাৰ কাৰ্য্য ধৰিবলৈ আশা কৰা মিছা। সূৰ্য্যৰপৰা যিখিনি পোহৰ আমাৰ পৃথিবীয়ে পায়, সেই গোটেইখিনিকে যদি পৃথিবীয়ে শোষণ ( alsorbance ) কৰিলেহেতেন, তেনেহলে তাৰ হেঁচা মুঠাই ৭৫০০০ টন বা ১৯৯৮০০০ মোন ওজন হে হলহেঁতেন, কিন্তু যদিও এই বল বৰ ডাঙ্গৰ যেন দেখি তথাপি সূৰ্য্যাই মধ্যাকৰ্ষণৰ যি টানেৰে পৃথিবীক টানে



তাতকৈ সাতচল্লিশ লক্ষ কোটিগুণেৰে ডাঙৰ। ইপিনেদি সূৰ্য্যাই আকৌ
তেওঁৰ পোহৰেৰে বিপৰীত পিনেদি পৃথিবীক হেঁচি দিছে।

গণিত আদিৰ সহায়েৰে পোৱা গৈছে যে পৃথিবীৰ সমান দূৰৈত পোহৰ শোষণকাৰী, পানীৰ ঘনত্বৰ দৰে ( of equal density as water ) আৰু এক ইঞ্চিৰ ৫৬০০০০০ ভাগৰ এক ভাগৰ সমান ব্যাসৰ এটা বাটলু গুটিক সূৰ্য্যাই আকৰ্ষণো নকৰে প্ৰতিক্ষেপণো নকৰে, কিন্তু ইয়াতকৈ তাকৰ ঘনত্বৰ হলে প্ৰতিক্ষেপণ কৰে আৰু শূন্যত যদি এই পৰিমাণৰ ধূলি কণিকা বৰ্ত্তমান থাকে তেন্তে সিইঁতক বেগেৰে প্ৰতিক্ষেপণ কৰি আমাৰ সৌৰজগতৰপৰা সূৰ্য্যাই খেদি দিব।

ধুমকেতুৰ নেজবিলাক, যিবিলাক সদায় সূৰ্য্যৰ বিপৰীত ফালে থাকে, পোহৰৰ হেঁচাৰপৰা উৎপন্ন, এয়ে অনুমান। মেক্সৱেলৰ পোহৰৰ হেচাৰ অনুমান ওলোৱাৰ পিছত ফিৎজিৰল্ডে ( Fitzgerald ) তাক ধুমকেতুৰ নেজবিলাক বায়ৱীয় ( gaseous ) পদাৰ্থৰে গঠিত বুলি বুজাবলৈ তাত পোহৰৰ হেঁচা প্ৰয়োগ কৰে, কিন্তু তেওঁৰ এইটো ভুল। এওঁৰ অলপ পিছত লেবেদুৱে ( Lebedew ) দেখুৱায় যে শোষণকাৰী অতি ক্ষুদ্ৰ কণিকাত যি হেঁচা পৰে তাত প্ৰতিক্ষেপণ আকৰ্ষণতকৈ বেছি আৰু ধুমকেতুৰ নেজবিলাক অতি সূক্ষ্ম পদাৰ্থ কণিকাৰে গঠিত বুলি ভাবি ললে কিছুমান নেজৰ গতি বুজাব পাৰি। আৰ্হেনিউচে ( Arrhenieus ) বিস্তৃতৰূপে গৱেষণা কৰি নেজবিলাকৰ স্বউজ্জলতা সূৰ্য্যৰপৰা ওলোৱা অজ্ঞাত বৈদ্যুতিক কাৰ্য্যৰপৰা হোৱা পোহৰৰ প্ৰতিফলনৰ ফল বুলি কয়।

ধুমকেতুৰ মুৰটোৰ যি ফাল সূৰ্য্যৰ পিনলৈ আছে তাৰপৰা যেন প্ৰস্ৰবণৰ ( fountain ) দৰে কিছুমান পদাৰ্থ ওলাই প্ৰায় চাৰিওপিনে একে সমান গতিৰে গৈ, প্ৰস্ৰবণৰ পানী যেনেকৈ বহুত ওপৰলৈ উঠি তললৈ আকৌ নামি আহে, তেনেকৈ নেজৰ ফাললৈ যোৱা যেন দেখা যায়। ধূমকেতুত যদি এয়ে সচাঁ হয়হে, যদি মুৰটোৰ বেলিৰ ফালেই এই প্ৰস্ৰবণৰ সীমা হয়, তেনেহলে ইয়াৰ প্ৰতিক্ষেপণ বলৰ মধ্যাকাৰ্যণিক টান যিহে প্ৰথমে কণিকাবিলাকৰ সম্মুখীন গতি নষ্ট কৰি নেজ হবলৈ পিছলৈ ঠেলি দিয়ে তাৰ ক্ৰম উলিয়াব পাৰি। কিছুমান ধূমকেতুত টানতকৈ প্ৰতি-

ক্ষেপণ ৪০গুণ, কিছুমানত ২০ গুণ আৰু কিছুমানত অলপৰহে বেছি। কেতবোৰ ধুমকেতুৰ আকৌ কেবাডালো নেজ, এইটো হেঁচা আৰু টানৰ বেলেগ বেলেগ ক্ৰমৰ নিমিত্তে। ধুমকেতু যিমানেই সূৰ্য্যৰ ওচৰলৈ যায় সিহঁতৰ মূৰবিলাকৰপৰা সিমান আকাৰৰ ধূলি ( dust ) উলিয়ায় দিয়ে বুলি ভাবিলে পোহৰৰ হেচাৰপৰাও এইবিলাক হৈছে বুলি কব পাৰি। পোহৰৰ হেঁচাৰে সকলো ৰকমৰ গতিকে বুজাব নোৱাৰি ; তথাপি ই এটা fascinating theory মনত থাই যোৱা অনুমান ; অথচ কবলৈ গলে, এইটো অনুমানেৰেই হে অকল নেজৰ গঠনৰ কথা ভালকৈ বুজাব পাৰি।

কবলৈ গলে, পোনতে আমি দেখোঁ যে পোহৰৰ হেচাৰপৰা অতি সৰু সৰু পদাৰ্থ কণিকাবোৰ প্ৰথমতে প্ৰতিক্ষেপণ হয় আৰু যদিহে সেই কণিকাবোৰ ক্ষুদ্ৰাৎক্ষুদ্ৰ হয় তেনেহলে সেইবোৰ আমাৰ সৌৰজগতৰপৰা একেবাৰে বিতাদিত হয় আৰু ডাঙৰ বস্তুৰ, যাৰ মধ্যাকৰ্ষণিক টান পোহৰৰ হেঁচাতকৈ বেছি, আমি তিনিটা ফল পাওঁ ;—

(১) সিহঁতৰ আৱৰ্ত্তন সময় বৃদ্ধি হয়।

(২) সিহঁতৰ পথ ঘূৰণীয়া হব খোজে।

(৩) সিহঁতে কুণ্ডলীকৃত ( spiral-shaped ) পথেৰে আকৰ্ষণ পায় সূৰ্য্যত মাৰ যাব খোজে।

গ্ৰহবিলাকৰ দৰে ডাঙৰ বস্তুত এই কাৰ্য্যবিলাক ধৰিব পৰা নেযায়, কিন্তু ২ চেণ্টিমিটাৰ ব্যাসৰ তলতীয়া বস্তুত এইবিলাক জুখিব পাৰি। যদিহে আমাৰ অনুমান সঁচা হয় যে উল্কা, নেবুলা তৰাবিলাকৰ বেছি ভাগেই সৰু সৰু পদাৰ্থ, তেনেহলে এই সৌৰজগৎ এনেকুৱাবিলাক বস্তুৰে ভৰা। অনুমান কৰি লবলৈ বহুতো কাৰণ পোৱা যায় যে সাময়িক উল্কা বৃষ্টিৰ কিছুমান উল্কা দলভ্ৰষ্ট, বাট-হেৰুৱা ধুমকেতুহে। আমি আৰু অনুমান কৰি লব পাৰোঁ যে, আকাশত উৰি ফুৰা উজ্জ্বল উল্কাবিলাকৰ এনেকৈয়ে উৎপাদন হয়, কিয়নো এই উল্কাবিলাক অন্য কোনো জ্যোতিষ্কৰ লগতে নিৰুপণ কৰিব নোৱাৰি।

কিন্তু সকলোৰে শেষ ফল একে। সূৰ্য্য ধূলি লৈ খেলা কৰিবলৈ অনিচ্ছুক। তেওঁৰ পোহৰৰ হেঁচাৰে অকণি অকণি কণিকাবিলাকক তেওঁৰ system জগতৰপৰা খেদি দিয়ে। তেওঁৰ তাপেৰে ডাঙৰ ডাঙৰ কণিকাবিলাক উত্তপ্ত হয়, সিহঁতে আকৌ এই তাপ আৰু বেলিৰ আকৰ্ষণ stand সহিব পৰা শক্তিও ( energy ) অলপ অলপ এৰি দিয়ে। লাহে লাহে তেওঁ সিহঁতক তেওঁৰ গালৈ টানি লৈ যায় আৰু অৱশেষত সিহঁতৰ পৃথক অস্তিত্ব লোপ পাবগৈ। আমাৰ এই পৃথিবী, যত আমাৰ বাসস্থান, এদিন হয়তো এনেকৈয়ে সূৰ্য্যৰ লগত মিলি একে হবগৈ আৰু অন্য গ্ৰহ নক্ষত্ৰ তৰায়ো সিহঁতৰ পৃথক পৃথক অস্তিত্ব হেৰুৱাবগৈ। এনেকৈয়ে হয়তো আকৌ আমাৰ এই সূৰ্য্যবো, যাৰ বিমল পোহৰ আমি ভোগ কৰিব লাগিছোঁ, বিনাশ হবগৈ, তাৰ পিছত—"Everything is behind the veil. It is there that the science is mute, philosophy is silent."

শ্ৰীগিৰীশচন্দ্ৰ বৰুৱা।
গুৱাহাটী।



# হজৰত মহম্মদ (দঃ)

যি সময়ত আৰবত একেশ্বৰবাদধৰ্ম্ম বিলুপ্ত হৈ গোটেই আৰববাসীক অধৰ্ম্ম-আন্ধাৰে ছাটি পেলায় আৰু তাৰ ফলত কটাকটি মাৰামাৰি আৰু লুণ্ঠনাদিৰ অভিনয় পূৰ্ণ মাত্ৰাত চলিবলৈ আৰম্ভ কৰে, ঠিক সেই সময়তে ধৰ্ম্ম-জ্যোতিঃ হজৰত মহম্মদ (দঃ) ৫৭০ খৃষ্টাব্দৰ ২৯ আগষ্ট তাৰিখে মক্কা নগৰৰ প্ৰধান সম্প্ৰদায় কোৰেচ বংশত জন্ম গ্ৰহণ কৰে। হজৰতৰ বাপেকৰ নাম আব্দুল্লা আৰু মাকৰ নাম আমেনা আছিল। হজৰত মহম্মদ (দঃ) মাকৰ গৰ্ভত থাকোঁতেই বাপেক আব্দুল্লাৰ মৃত্যু হয় আৰু হজৰতে সৰু কালতেই মাককো হেৰুৱায়।

হজৰত মহম্মদ (দঃ) লৰা কালৰপৰাই মূৰ্ত্তি পূজাৰ বিৰোধী আৰু আদি পুৰুষ মহাত্মা ইব্ৰাহিমৰ একেশ্বৰবাদ ধৰ্ম্মৰ পক্ষপাতী আছিল। তেওঁ পঁচিছ বছৰ বয়সত চল্লিচ বছৰীয়া বাৰী খদিজা বিবীক বিয়া কৰায়। খদিজা বিবী ৰূপৱতী, গুণৱতী আৰু বৰ ঐশ্বৰ্য্যশালিনী তিৰুতা আছিল।

এওঁক বিয়া কৰাৰৰপৰাই হজৰতৰ অৰ্থ-কষ্টৰ শেষ হয়। ইতিপূৰ্ব্বে তেওঁ দীন দৰিদ্ৰ ভাৱত দদায়েকৰ ঘৰত ডাঙৰ-দীঘল হৈছিল।

হজৰতে চল্লিছ বছৰ বয়সত মক্কা নগৰৰ ওচৰতে "হেৰা" পৰ্ব্বতৰ গুহাত একমাত্ৰ নিৰাকাৰ ঈশ্বৰৰ পূজা প্ৰচাৰ কৰিবলৈ প্ৰত্যাদিষ্ট হয় আৰু প্ৰথমেই তেওঁৰ ঘৈণীয়েক খদিজা বিবীয়ে সেই দীক্ষা গ্ৰহণ কৰে। মূল মন্ত্ৰ— "এক মাত্ৰ ঈশ্বৰ ব্যতীত উপাস্য নাই, মহম্মদ তেওঁৰেই প্ৰেৰিত।" এই মন্ত্ৰ আৰু বাকী কথাবোৰ তেওঁ জিব্ৰাইল বুলি এজন স্বৰ্গীয় দূতৰপৰা ঈশ্বৰৰ আদেশ বুলি পাইছিল। ক্ৰমে হজৰতৰ শিষ্যৰ লগে লগে শত্ৰুৰ সংখ্যাও বেছি হবলৈ ধৰিলে। তেওঁৰ প্ৰত্যাদিষ্টৰ তিনি বছৰলৈকে জীৱনত মহা সংগ্ৰামেই গল। ৪৩ বছৰ বয়সত নিজবংশ কোৰেচ সম্প্ৰদায়ৰ আগত প্ৰত্যাদিষ্ট সত্য ধৰ্ম্ম তেওঁ প্ৰচাৰ কৰে আৰু তাৰ ফলত তেওঁৰ ঘৰতেই শত্ৰুৰে দেখা দিলে। তেওঁ যি ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেই ধৰ্ম্মৰ নামেই "ইচ্‌লাম" ধৰ্ম্ম আৰু এই ধৰ্ম্মৰ নিমিত্তেই প্ৰথমে তেওঁ সকলোৰেপৰা শাও শপনি আৰু গৰিহণা আদি খাবলৈ বাধ্য হৈছিল; সেই বুলি তেওঁ এদিনলৈকো সত্য প্ৰচাৰৰপৰা বিমুখ হোৱা নাছিল।

লাহে লাহে হজৰতৰ শিষ্যৰ সংখ্যা বেছি হবলৈ ধৰাত তেওঁৰ বিপক্ষৰ শত্ৰুবোৰে হজৰতৰ প্ৰাণ বধ কৰিবলৈকে সাজু হ'ল! কিন্তু কি আচৰিত কথা যে—যেয়ে হজৰতৰ মূৰ কাটি আনিবলৈ ওলায় সেয়ে তেওঁৰ অনুগত শিষ্য হৈ বিপক্ষলৈ আঙুলি টোৱাঁয়! শত্ৰুবিলাকে তেওঁক একোতে একো কৰিব নোৱাৰি শেষত প্ৰাণেৰে মাৰিব নোৱাৰি ভাতেৰে মাৰিবলৈ যিৱাং কৰিলে। কোনেও কুটা এগছকে তেওঁলোকৰ ওচৰত নেবেচা হ'ল। অসফল-শৰীয়াকৈ যঁতে তেঁওৰ শিষ্যবিলাকক সিহঁতে লগ পায় তঁতে নগুৰ শাস্তি কৰিবলৈ ধৰিলে। শেষত হজৰত মহম্মদে (দঃ) উপায় নেপায় সেই সময়ৰ লগৰীয়া শিষ্যকেইজনৰে সৈতে মদিনালৈ পলায় যায় আৰু মদিনাবাসীয়ে তেওঁলোকক বৰ আদৰ সাদৰ কৈ আশ্ৰয় দিয়ে। তাৰ পাছত দলে দলে মদিনাৰ মানুহবিলাকে আহি হজৰতৰ ওচৰত পবিত্ৰ ধৰ্ম্মত দীক্ষা লয়হি। লাহে লাহে প্ৰায় মদিনাৰ মানুহবোৰেই ইচলাম ধৰ্ম্ম গ্ৰহণ কৰি মুচলমান হল।



মাতৃভূমি মক্কা এৰি বহুত দিন মদিনাপ্ৰবাসী হৈ থকাত হজৰতৰ মনত মক্কা দৰ্শন আকাঙ্ক্ষাই বৰকৈ উদগাবলৈ ধৰিলে আৰু পবিত্ৰ "হজ্জব্ৰত"ৰো ওচৰ চপা দেখি বহুতো শিষ্য লগত লৈ তেওঁ মক্কালৈ যাত্ৰা কৰিলে। কিন্তু ইমানতো মক্কাবাসীয়ে তেওঁলোকক প্ৰবল বাধা নিদি নেৰিলে, ফলত আনকৈয়ে এখন যুদ্ধ হ'ল। যুদ্ধত মুচলমানৰেই জয় হ'ল। ইয়াৰ পাছতো হজৰতৰ জীৱনত বহুত বাৰ যুদ্ধ হৈছিল, আৰু কোনো বাৰতেই মুচলমানে প্ৰথমতে আক্ৰমণ কৰা নাছিল। কিন্তু যিমান বাৰেই যুদ্ধ হৈছিল প্ৰায় সাৰতেই মুচলমানবিলাক জয়ী হৈ আছিল। কালক্ৰমত গোটেই মক্কাবাসীয়েই ইচলাম ধৰ্ম্ম গ্ৰহণ কৰে।

আৰবত চিৰকালৰে অন্যায়, অধৰ্ম্ম, কটাকটি মৰামৰি আৰু সকলো-বিলাক পাপ অনুষ্ঠানৰেই লয় পালে। আৰবৰ জ্ঞানৰ পোহৰে এচিয়া, ইউৰূপ আদি মহাদেশকো ভাগ দি আজি চিৰস্মৰণীয় হৈ আছে। এসময়ত এই আৰবাক্টাৰ হাতত্তেই পাৰচিক সাম্ৰাজ্য আৰু ইটালীৰ ৰোমৰ গৰ্ব্ব খৰ্ব্ব হয়। এচিয়াৰ পশ্চিম ভাগ, আফ্ৰিকাৰ উত্তৰ খণ্ড আৰু ইউৰূপৰ স্পেইন আৰু পৰ্টুগাল অলপ দিনৰ ভিতৰতেই আৰববিলাকৰ কৰতলস্থ হয়। ভাৰতবৰ্ষ, এনেকি আমাৰ প্ৰতি জনপদতেই সেই মুচলমানৰ একেই মন্ত্ৰ দিনটোত পাঁচবাৰকৈ উচ্চাৰিত হব লাগিছে।

মুচলমানৰ ধৰ্ম্মশাস্ত্ৰ "কোৰাণচৰীফ"। এই গ্ৰন্থ ঈশ্বৰে স্বৰ্গীয় দূত জেব্ৰাইলৰ দ্বাৰাই হজৰতৰ ওচৰত প্ৰকাশ কৰিছে, আৰু তেওঁৰ প্ৰধান শিষ্যকেইজনে তাক লেখি থৈছে। হজৰত মহম্মদ (দঃ) সকলোপৰাই লেখা পঢ়া একো নেজানিছিল, আৰু তেওঁৰ জীৱনৰ আগছোৱা ভেঁৰা ৰখোৱাতেই গৈছিল।

হজৰত মহম্মদৰ (দঃ) বৈৰাগ্যপ্ৰধান জীৱন আছিল। তেঁও পাছলৈ বিপুল ধন সম্পত্তিৰ গৰাকী হৈয়ো খোৱা পিন্ধা আৰু থকা আদিত সম্পূৰ্ণ এজন বৈৰাগীৰেশত আছিল। তেওঁৰ খোৱা বোৱা একেবাৰেই সামান্য ৰকমৰ। ছকুলী টাপলি নমৰালৈকে গাৰ কানি-কাপোৰ তেওঁ নসলাইছিল, নিজৰ পিন্ধা জোতা নিজে চাফকৈ লৈছিল, যি বস্তু লাগে দোকানৰপৰা নিজে গৈ সেই বস্তু আনিছিল; জেনানাগণৰ গাখীৰ আদি নিজেই

পীৰাই আনিছিল গৈ। দুবৈৰৈ কেনিবা যাবলৈ হলে সামান্য ৰকমৰ গাড়ী এডোখৰ পালেই তেওঁ যথেষ্ট মানিছিল, সদায় গৰীপ দুখীয়াৰ লগত বেছিৰকমে ঘনিষ্ঠতা আৰু মিল ৰাখিছিল। তেওঁ দুখীয়া মানুহক দেখা পালেই আগভাগেই "চালাম" দি হাতত ধৰি কথা-বতৰা পাতিছিল। মোটৰ ওপৰত হজৰত সৰ্ব্বসুলক্ষণীয়া আছিল। ইচলাম-নাৱঁৰ গুৱিয়াল হজৰত মহম্মদ (দঃ) ৬৩ বছৰ বয়সত ইহলোকৰপৰা অন্তৰ্দ্ধান হয়।

এম, মোছলেহউদ্দিন আহমদ।

---

## মনৰ সন্দেহ।

ষষ্ঠ বছৰৰ ২য় সংখ্যা বাঁহীত পৰম স্নেহাস্পদ শ্ৰীযুক্ত দ্বাৰিকানাথ গোস্বামীয়ে এলেঙ্গি সত্ৰৰ বিষয়ে লিখা কথাবোৰত আমাৰ মনত খুদুৰি মৰিছিল। "চিঠিৰ সন্দেহ" বুলি যি প্ৰবন্ধ ওলাইছিল সেই সন্দেহ এলেঙ্গি বালি সত্ৰৰ শ্ৰীযুক্ত কেশৱকান্ত দেৱ মহন্তই দূৰ কৰিলে। আমিও তেনে বোৰ বুলিহে জানো। ষষ্ঠ বছৰৰ চতুৰ্থ সংখ্যা বাঁহীৰ "সমিচাৰ" প্ৰবন্ধ লেখকৰ মতে পুনৰ ভালেমান সন্দেহ হল। এতেকে তেখেতক সোধোঁ—"সন্তাৱলী বা সন্তমুক্তাৱলী" এই দুইখনি পুথিত এটকা মহন্তৰ বিৱৰণ আছেনে? কিম্বা ঠাকুৰে পতা ৰৱৰাবেৰজনীয়া সৰুবাবেৰজনীয়া ঠাকুৰীয়া মহন্ত সকলৰ হে আছে? যদি এটকা সত্ৰৰ নাই তেন্তে শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীয়ে লেখা মতে সি এসৰীয়া চৰিত্ৰ হে, তাত আমাৰ সকাম নাই। গোস্বামীয়ে বাঁহীত যি চৰিত্ৰৰ পদ, "পেন পেনি কাঠ বংশে জনম হইল। পিতৃ মাতৃ মোৰ নাম জপৰা ৰাখিল॥ জপৰা ভকত বুলি মাতে সৰ্ব্বজন। কৃষি ভিক্ষা কৰি কৰো পেট-প্ৰবৰ্ত্তন"॥ গোসাঁইয়ে যদিও এই চৰিত্ৰ ৰচকৰ পৰিচয় বিচাৰিছে "সমিচাৰত" লেখা সন্তমুক্তাৱলীৰ পদেৰে মিল; যেনে- "অঞ্জুলিৰ মাজে মাজে পানীয়ে ধৰিলা। এতেকে সে পেন পেনি কায়স্থ নাম দিলা॥ * * তিনি চাৰি মাস হৈলে মুণ্ডন কৰন্ত।



জপৰা কায়স্থ নাম তাহাক দিলন্ত॥ পৰম মহন্ত পিতৃ মাতৃত ভকত। ভকত বৎসল পিতৃ মাতৃয়ে বোলন্ত॥" এই কথা দুইখন চৰিত্ৰতে মিল; কেৱল শঙ্কৰে সত্যানন্দক ধৰ্ম্মাচাৰ্য্য পতাহে অমিল। বুজা যায় চৰিত্ৰ ৰচকে সেই কথাষাৰি চাৰিত্ৰত সম্মান বঢ়াই লেখি থব পাৰে। এতেকে গোস্বামী দেৱে লেখাত বেয়া হোৱা নাই।—আগৰ চৰিত্ৰৰচকসকলে সম্পৰ্ক আৰু খাটিৰ বুজি অলপতে বেছিকৈ মহাত্ম্য বঢ়াই নিয়া দস্তৰফেৰা সৰহ আছিল। সেই বাবে কোনো চৰিত্ৰত মাখিটোকে হাতী যেন কৰি থৈছে; কোনো কোনো চৰিত্ৰত প্ৰকৃত কথাকে লেখিছে; তেনে চৰিত্ৰক গোসাঁই দেৱে সত্যানন্দক শঙ্কৰে ধৰ্ম্মাচাৰ্য্য পতা নোবোলাত বেয়া পাবলৈ বাট আছে। বোধ কৰোঁ গোস্বামী দেৱে যি কথা লেখিছে সেইবোৰ মনেৰে পাতি লেখা নহয়, অৱশ্যে সি এখন চৰিত্ৰৰ মতহে। অনেক অনেক এলেঙ্গি গোঁসাই সকলৰ মুখেও আমিও সেই দৰেহে শুনিছো. বৰ্ত্তমান আমাৰ চৰিত্ৰটো আছে।

ষষ্ঠ বছৰৰ ৪ৰ্থ সংখ্যা বাঁহীত এলেঙ্গি বালি সত্ৰৰ শ্ৰীযুত কেশৱকান্ত দেৱ মহন্তই লেখে, "আমি ভালকৈ জানো যে আমি হলে পুৰুষোত্তম দেৱে শ্ৰীকৃষ্ণক বাপুকৃষ্ণক পতা বৰ-বাৰেজনীয়া মহন্তহে * *। বৰ-বাৰেজনীয়া মহন্তৰ তালিকাটো আৰু আমাৰ চৰিত্ৰটো এই দৰে আছে, ইয়াকে নিভুৰ্ল বুলি জানো।" এখেতো এলেঙ্গি সত্ৰৰে গোসাঁই, ইয়াতে বুজা যায় যে বহুত এলেঙ্গি গোঁসাইসকলৰ হাতত "সন্তাৱলী আৰু সন্তমুক্তাৱলী" নাই হব পায়। ইয়াৰ দ্বাৰাই স্পষ্ট বুজিব পাৰি যে এইখনি সত্যানন্দৰ মাহাত্ম্য বঢ়োৱা অলপ দিনৰ পুথি। শ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ শক ১৪৯০; তেতিয়াৰপৰা আজিলৈকে ৩৪৭ বছৰ হয়। ৰাম ৰাম গুৰু শঙ্কৰদেৱৰ দিব-সৰে। গোসাঁই দেৱে যি সন্তাৱলী ৰচকৰ পৰিচয় দিছে, ৰাম ৰাম গুৰুৰ পুত্ৰ কৃষ্ণ পণ্ডিত, তদপুত্ৰ যোগেশ্বৰ, তদপুত্ৰ মিত্ৰজ্ঞ, তদপুত্ৰ নাৰায়ণ, তেওঁৰ পুত্ৰ চৰিত্ৰ ৰচক—নৰোত্তম দ্বিজ। ছয় পুৰুষৰ পাছতহে হে এই চৰিত্ৰৰ জন্ম। ইপিনে শ্ৰীযুক্ত ভদ্ৰকান্ত গোস্বামীয়ে ৫ম বছৰৰ ১২ সংখ্যা বাঁহীত লেখা মতে সত্যানন্দৰপৰা তেখেতলৈ মোটে ১১ পুৰুষ মাত্ৰ। এতেকে শ্ৰীযুত ভদ্ৰকান্ত গোস্বামীৰ প্ৰপিতামহে নৰোত্তম দ্বিজক খাটিৰ কৰি সত্য-

নন্দৰ মাহাত্ম্য বঢ়াই এই চৰিত্ৰখনি কৰিলে হব পায়! নহলে ছয় পুৰুষৰ পাছত পুথি ৰচাৰ কাৰণ কি? ছয় পুৰুষৰ কথা কেনেকৈ মনত ৰাখে? নহলে এখন চানেকি চাইছিল, তাৰ ওপৰত মাহাত্ম্য বৃদ্ধি কৰি ১ম শ্ৰেণীৰ যোগ্য কৰি ৰচকে লেখিব পায়! যদি এটকা সম্ভৱ বিৱৰণ সেই পুথিত নাই, তেন্তে অকল সতানন্দৰ চৰিত্ৰখন বৰ্ণাৱৰ কাৰণ কি? যদি আন এলেঙ্গি বৰ-বাৰেজনীয়া গোসাঁইসকলৰ হাতে হাতে এই পুথি আছে তেন্তে সতানন্দক শঙ্কৰে ধৰ্ম্মাচাৰ্য্য পতা আৰু তেওঁৰ পুত্ৰ শ্ৰীকৃষ্ণক ঠাকুৰে তেখেতৰ ধৰ্ম্ম শক্তি শোধাই দি ঠাকুৰৰ বদল দিয়া, আৰু সেই শ্ৰীকৃষ্ণই অশৰণীয়া ভাল জাতৰ লোককেজন বিচাৰি আনি তেওঁবিলাকক মহন্ত পতোৱা কথখাৰ, বেঙেনাআটী, চুপহা, সাউকুছি, কুলবাৰী, ছেকেৰাতলীয়া আদি কৰি বৰ-বাৰেজনীয়াসকলে স্বীকাৰ কৰিবনে? যদি কৰে কোনো লেঠা নাই।

সন্থাৱলী মুক্তাৱলীৰ পদ—"অগ্ৰভাগ অগ্ৰমান শ্ৰীকৃষ্ণক দিলো। সবাৰো উপৰি যুথা কৃষ্ণক পাতিলো॥ উত্তৰৰ শিৰভাগ শ্ৰীকৃষ্ণক দিবা। দক্ষিণৰ ভাগে কৃষ্ণচৰণ ৰহিবা॥" এই পদ মতে আৰু শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীয়ে লেখা মতে বৰ-বাৰেজনীয়াৰ ওপৰত শ্ৰীকৃষ্ণক মৌধি পাতি আগ মান আগ পাত দিয়া প্ৰমাণ। যদিহে সেয়ে নহয় তেন্তে বৰ-বাৰেজনীয়াৰ ওপৰত শ্ৰীকৃষ্ণক গুৰু বুলি অগ্ৰমান দান দিলেনে? এই কথা বৰবাৰেজনীয়াসকলে স্বীকাৰ কৰিবনে? যদি কৰে আনবোৰ তল শ্ৰেণীৰ, এলেঙ্গি এটাইত কৈ ওপৰ থাপৰ; কাৰণ তেওঁবিলাকক পতাৰ পূৰ্ব্বেই সতানন্দক শঙ্কৰে ধৰ্ম্মাচাৰ্য্য পাতে। তাৰ পিছত সতানন্দৰ পুত্ৰ শ্ৰীকৃষ্ণক ঠাকুৰে তেওঁৰ ধৰ্ম্মৰ শক্তি শোধায়। শ্ৰীকৃষ্ণৰ থকা থোৱা লগ নথকাতহে উজান দেশৰ পৰা আনসকলক আনি ঠাকুৰত শৰণ দিয়াই মহন্ত পাতে। শ্ৰীকৃষ্ণৰ প্ৰসাদত তেওঁবিলাক মহন্ত হবলৈ পোৱাত তেওঁ সকলোৰে মাননীয়।

শঙ্কৰে মাধৱত নিজৰ ধৰ্ম্মশক্তি শোধোৱাৰ পাছত ঠাকুৰক শৰণ দিদি মাধৱক গটাইছিল; তদনুৰূপ অগ্ৰধৰ্ম্মৰ ভাগ ঠাকুৰে ধৰ্ম্ম শক্তি শ্ৰীকৃষ্ণক বদলি দিয়াত উজনিয়াল অশৰণীয়াসকলে শৰণ লৈ মহন্ত হোৱাত সাহৰ পাছত বাহ হে পাব পায়। শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীয়ে লেখা "হাতীয়ে খেদাদি খেদি আনি অশৰণীয়া অভকতীয়া কেজনক মহন্ত পতা বিশ্বাস নহয়" ॥ গোস্বামী দেৱে ভাল লেখিছে, আমাৰ বোধও শঙ্কৰ মাধৱ আৰু ঠাকুৰৰ শৰণ লোৱা তাৰতবিলাকে মহন্ত পদপী পোৱা নাই হব পায়। যাৰ ভাগ্য, যি মহাধৰ্ম্মৰ সাত পৰীক্ষা সাত কক্ষাত ব'ব পৰিছে সেইসকলক হে শঙ্কৰ মাধৱ ঠাকুৰে ধৰ্ম্মৰ ভাৰ দি জীৱৰ শৰণ ভজন দি জীৱৰ অধিকাৰী পাতিছিল। তেনে বাছনিত উঠিবলৈকো ৩।৪ বছৰ গুৰুত ভক্তিৰ খাটনি লগাব পাৰিলেহে। তেনে স্থলত শ্ৰীকৃষ্ণই অশৰণীয়া কেজনক আনি ঠাকুৰক দিয়া মাত্ৰে শৰণ ভজন দি মহন্ত পতাৰ মনে নধৰে। আমাৰ মনেৰে বৰ বাৰেজনীয়াৰ আনসকল অনেক দিনৰ ঠাকুৰৰ প্ৰিয় শিষ্য; ভক্তিৰ বলত উপযুক্ত পাত্ৰ হোৱাত ১২জন গোটাই শ্ৰেণীবদ্ধ কৰি ঠাকুৰে মহন্ত পাতে; এনেবোৰ কথাকে আমি ভালকৈ জানো। শ্ৰীযুত ৰাধাকান্ত গোসাঁইৰ "সমিচাৰত" সন্দেহ লাগিহে শোধা হৈছে! এলেঙ্গি সত্ৰখনিৰ মান কমিবৰ হেতু বাদানুবাদ নহয়, কেৱল সাৰাংশ কথাটি যেন সকলোৱে স্বীকাৰ কৰে। এলেঙ্গিৰ বাজে আন বৰ-বাৰেজনীয়া গোসাঁইসকলে যেন আমাৰ সন্দেহ ফেৰা দূৰ কৰে।



গোঁসাই দেউ, "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত্ৰ প্ৰধান তিনিখন, তাত সতানন্দক ধৰ্ম্মাচাৰ্য্য পাতি এলেঙ্গি সত্ৰখনি শ্ৰীশঙ্কৰে পতা আমি পোৱা নাই" বোলাত বেয়া নেপাব। আমি জানো, দৈৱকীৰ পুত্ৰ এক শ্ৰীকৃষ্ণ জন্ম হৈয়েই যত অসমীয়া, বঙ্গলা, ভাৰত, পুৰাণ, গীতা, ভাগৱতৰপৰা কাণ-খোৱালকে এক কৃষ্ণৰ গুণ বৰ্ণাওতেই পুথিৰেই পৃথিৱী ভৰিল। সেই শ্ৰীকৃষ্ণই শঙ্কৰ ৰূপে অৱতাৰ ঈশ্বৰ বুলি মানো; সতানন্দৰ ঘৰত এজন নহয় দুজন নহয়, জয় কৃষ্ণ, ত্ৰাহি কৃষ্ণ, মহাকৃষ্ণ, শ্ৰীকৃষ্ণ, একেবাৰে চাৰি কৃষ্ণ জন্ম ধৰিছে। ঈশ্বৰৰূপী শ্ৰীশঙ্কৰেও যাকে দৈৱকীৰ ঘৰত এক কৃষ্ণ, তোমাৰ ঘৰত চাৰি কৃষ্ণ বুলি ঈশ্বৰে ঈশ্বৰক চিনি প্ৰশংসা কৰিছে, তেনে পূৰ্ণব্ৰহ্ম চাৰি কৃষ্ণৰ বিষয়ে প্ৰধান তিনিখন চৰিত্ৰত উল্লেখ নথকাৰ বাবে এই কথাটি তেনেই অমূলক বুলি জনা নাইনে? যাক শঙ্কৰে প্ৰশংসিছে, তাক অৱশ্যে ঈশ্বৰ বুলি মানো; শঙ্কৰৰ চৰিত্ৰত এই কথাষাৰ দেখাই দিবনে? যদি নোৱাৰে কথাষাৰ অলীক নহয়নে? আমি এক কৃষ্ণক হে জানো,

একেবাৰে চাৰি কৃষ্ণক শতানন্দৰ গৃহত জন্ম ধৰিব লগাৰ গোসাঁইদেৱে কিবা মূল দেখাব পাৰিবনে? যদি নোৱাৰে ৬।৭ পুৰুষৰ পাছত চৰিত্ৰ কৰি লেখি থোৱা কথাষাৰ কোনবাই পতিয়াবনে? আউনীআটী আৰু ধলৰ সত্ৰৰ কথা নধৰিব, কাৰণ ইসকল পাছত হোৱা মহন্ত। শঙ্কৰৰ চৰিত্ৰত আৰাসকলৰ কথা থাকিবলৈ আমাক শঙ্কৰেই পতা বুলি বাঁহীত লেখা দেখিছিল নে? যাক শঙ্কৰে পাতিছে অৱশ্যে শঙ্কৰৰ চৰিত্ৰত সেই কথা থকা কৰ্ত্তব্য নহয় জানো? হাতীৰ গৰ্ভত হাতী, গাইৰ গৰ্ভত গৰু, ৰাজহংসৰ বাহত ৰাজহংসৰ উমনি হে শোভা পায়।

নবোৱা, কোৱামৰা, চামগুৰি আতাসকলত ৰৰবাৰেজনীয়া সৰু বাৰেজনীয়া মহন্তসকলে শৰণ ভজন লোৱাত কোনো দোষ নহয়, বৰং প্ৰশংসনীয় হে, কাৰণ পূৰ্ব্বেই শঙ্কৰে জিয়ৰীৰ নাতিয়ে ধৰ্ম্ম প্ৰবৰ্ত্তাব বুলিছে। শ্ৰীযুক্ত ভদ্ৰকান্ত গোস্বামীয়ে আমি ৰৰ বাৰেজনীয়াৰ শাৰীৰ মহন্ত বোলাতহে শোধা হল। গোসাঁই দেৱে লেখিছে, "থানৰ ভকতসকলৰপৰা অনেক গোসাঁইয়ে এতিয়ালৈকে মালা আদি লোৱা দেখা নাইনে?" তদুত্তৰে কওঁ, অৱশ্যে লব পাৰে; যাৰ ভঁৰালত ভাত আছে সি মাগিবলৈ যাবনে? যাৰ নাই সি নেমাগি থাকিব পাৰেনে? এটকা মহন্তই থানৰ ভকতৰপৰা শৰণ ভজন মালা লব লগীয়া নিয়ম পকা বন্ধা আছেনে? যি মহন্তৰ হাতত পৰকালৰ বিত্ত বস্তু শৰণ, ভজন, মালা মন্ত্ৰাদি নাই সেইসকলে আনৰ ভকতসকলত শৰণ ভজন লৈ বস্তু-কাৰণ অনা নিয়ম থাকিব পাৰে। মহন্তসকলৰ গুৰুত্ব কিহত? আমাৰ বোধে শৰণ ভজন ভক্তি মালা মন্ত্ৰৰ বলত।

শ্ৰীতীৰ্থনাথ গোস্বামী।
( ধলৰ সত্ৰ )

---



## এখন চিঠি।

(১) ৮ মহাপুৰুষীয়া ৪ সত্ৰ, অৰ্থাৎ নবোৱা, কোৱামৰা বা শলগুৰি, দীঘলী। কাৰ কি গোত্ৰ?

(২) এই চাৰি সত্ৰৰ ভিতৰত কন্যা অনা নিয়া কৰে কি নকৰে?

(৩) একে গোত্ৰত কন্যা অনা নিয়া কৰিব পায় নে নেপায়? নেপালে কৰিলে কি হয়?

(৪) যদি নিয়ে, কি সূত্ৰেৰে নিয়ে বা নিব পায়?

গত কাতি মাহৰ বাঁহীত ৰব এলেঙিৰ পুৰুষনামা লেখা চিঠিখনি পাই আমি কেতিয়াও গ্ৰাহ্য কৰা নাই। সেই বাঁহী অহা সময়ত ৰব এলেঙিৰ মহন্তও আমাৰ ইয়াতে আছিল, পাছে আমি শোধাত তেখেত পৰাস্ত হল। শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীৰ চিঠি পঢ়ি আমি সন্তোষ পাইছোঁ।

শ্ৰীনবোৱা সত্ৰাধিকাৰ গোস্বামী।

---

## সম্পাদকৰ মন্তব্য।

এলেঙি সত্ৰৰ বিষয়ে আমি বাদানুবাদৰ কেইবাখনো চিঠি বাঁহীত ছপালোঁ; আৰু নছপাওঁ; কাৰণ সেইবোৰৰপৰাই আমি আচল কথা বুজিব পাৰিছোঁ। গুৰু চৰিত্ৰত কোনো এজনৰ বিশেষ বংশাৱলীৰ বিৱৰণ পোৱা নাযাব পাৰে, কিন্তু দুইজনা গুৰুৱে আৰু ঠাকুৰদেৱসকলে কোন সন্ত সাধুক আৰু কোন কোন প্ৰধান শিষ্যক কত কত ধৰ্ম্মক দিছিল, সেই কথাৰ চমু উল্লেখ নিশ্চয় আছে আৰু থাকিবৰ কথা, কাৰণ তেওঁলোকৰ ধৰ্ম্মজীৱনৰ ধৰ্ম্মপ্ৰচাৰৰ কাৰ্য্যবিৱৰণেই হে তেওঁলোকৰ জীৱন-চৰিত্ৰ। সেইদেখি গুৰু-চৰিত্ৰত উল্লেখ নথকা কথা ঠিক বুলিলে তাৰ গুৰিহে হেলেকুলেক হয়। শ্ৰীযুত দ্বাৰিকানাথ গোসাঁয়ে কৰৰ নিচিনা, এধৰীয়া চৰিত্ৰৰ কথাত আমাৰো সকাম নাই। "সমিচাৰ" লেখকে যেনেকৈ "সন্তমুক্তাৱলীৰ" পদ তুলি সতানন্দক শ্ৰীশঙ্কৰদেৱে লগ পাই ধৰ্ম্মক দিয়াটো প্ৰমাণ কৰিবলৈ গৈছে, সেই দৰে আন কেইবাজনেও দ্বিজ জয়হৰি কৃত ঠাকুৰ চৰিত্ৰৰ পদ তুলি তাৰ ওলোটাটো প্ৰমাণ কৰা দুই চাৰিখন চিঠি আমাৰ হাতত

পৰিছে। "সন্তমালাত" আছে,—দেৱ পুৰুষোত্তমে যেধি পাতিলন্ত যত। শুনিয়োক কহো আৰে তাহাক সমস্ত। শঙ্কৰাহি মুৰাৰি যে বেঙেনা আটীৰ। বৰভক্ত পুত্ৰ বাপুকৃষ্ণ এলেঙিৰ॥ ফুলবৰীয়াৰ জানা বাপু পৰ্ব্বতদাস। চিপহাৰ জানা আৰো কৃষ্ণচৰণ নাম॥ সাওকুচিয়াৰ হৰি চৰণ নামত। চতমীয়াৰ বাসুদেৱ জানিবা সাম্প্ৰত॥ শাল মৰীয়াৰ জানা নামত কৃষ্ণাই। চুঙাপৰীয়াৰ বাপু জানিবা কানাই॥ পৰ্ম্মানন্দ সংজ্ঞা জানা ৰতন পুৰীয়া। আৰো জন পৰ্ম্মানন্দ জানা ঠাকুৰীয়া॥ বাপু জয় কানাইক জানা গোমোঠাৰ। ৰৰ সনাতন নাম বেলশিৰীয়াৰ॥ এহি বাৰজন সাধু আছয় বোলাই। বৰজনা ঠাকুৰ দেৱৰ আজ্ঞা পায়॥" এতেকে গুৰু চৰিত্ৰৰ বাহিৰে ভৰি দিয়ৰৈ গলে লেঠা ডাঙৰ হৈহে ওলায় যায়। শ্ৰীযুত ভদ্ৰকান্ত মহন্ত আৰু শ্ৰীযুত ৰাধাকান্ত গোসাঁইৰ প্ৰবন্ধতে সতানন্দই শ্ৰীশঙ্কৰ দেৱৰপৰা আজ্ঞা পোৱা ঠাইৰ অমিল। বাপু কৃষ্ণৰ নাতি এলেঙি সত্ৰৰ মহন্তসকলৰ কথাত পৰস্পৰ অমিল আৰু বিৰোধ ওলাইছে,—এজনে বোলে "ভো কুমাৰ!" এজনে বোলে "ভো নৃপতি!" এলেঙি বালি সত্ৰৰ কেশৱকান্ত মহন্তৰ চিঠিয়েই এই কথাৰ প্ৰমাণ। ছপা নকৰা এনে চিঠি আৰু আমাৰ হাতত আছে। এতেকে এলেঙি "বৰ-বাৰজনীয়া" নে কি, সেইটো বুজিবলৈ আমাৰ আৰু বাকী নাই। সেইদেখি এই তৰ্কৰ এই খিনিতে আধা পেলালোঁ। শেহত এইটো কওঁ যে শ্ৰীশঙ্কৰদেৱৰপৰা আজ্ঞা পোৱা হলেই যে কাৰো মান বাঢ়িব, ঠাকুৰদেৱৰপৰা পোৱা হলেই কমিব, এনে ভাব শঙ্কৰ দেৱ প্ৰচাৰিত ধৰ্ম্মাধিকাৰসকলৰ মনত থকাটো সজ লক্ষণ নহয়।

---

# সোণোৱাল জাতি।

( ৪ )

সোণোৱাল জাতি কিমান-দিনৰ পূৰ্ব্বৰপৰা লক্ষীমপুৰ জিলাত বসতি কৰি আহিছে আমাৰ জাতীয় ইতিহাস নথকাৰ কাৰণে এই বিষয়ে জানিবৰ উপায় নাই। এই জাতি মানুহ আহোম ৰাজত্বৰ আগৰপৰাই লক্ষীমপুৰ জিলাত সদিয়াত বসতি কৰাৰ অনুমান হয়।



আমাৰ সোণোৱাল সমাজৰ বুঢ়ালোকৰ মুখে আদিৰেপৰা চলি অহা কিছুমান ঐতিহাসিক প্ৰবাদ সংক্ষেপে তলত লিখা হল :—

১। এই কৈফদৰ মানুহ পূৰ্ব্বে সোণীয়া ঠাকুৰ আৰু ৰূপীয়া ঠাকুৰ নামে দুইভাগে বিভক্ত আছিল; অৰ্থাৎ সোৱণশিৰী নৈত সোণ কমোৱাসকলক সোণীয়া ঠাকুৰ আৰ ধনশিৰী নৈত ৰূপ কমোৱাসকলক ৰূপীয়া ঠাকুৰ বুলিছিল বুলি বুঢ়ালোকৰ মুখৰপৰা শুনা যায়। কিন্তু আজিকালি যিসকলে সোণ কমাইছিল সেইসকলক সোণোৱাল আৰু যিসকলে ৰূপ কমাইছিল সেইসকলক ঠেঙ্গাল বোলে। পূৰ্ব্বে কচাৰী ৰাজ্য সদিয়ালৈকে জুৰি আছিল আৰু সোণোৱাল কৈফদৰ মানুহে তাত সোণ কমাইছিল। সেই সময়ৰপৰাই এই কৈফদৰ মানুহ কচাৰী ৰাজত্বত থকাৰ কাৰণে আহোম ৰাজত্বৰ দিনতো সিসকলক কচাৰী বোলে। বোধ কৰোঁ সোণীয়া ঠাকুৰ আৰু ৰূপীয়া ঠাকুৰ এই দুটা নাম আহোম ৰজাৰ দিনতেই লোপ পালে। কচাৰী ৰজাৰ সময়ত নো এওঁবিলাক কোন জাতীয় মানুহ আছিল ইতিহাসৰ দ্বাৰাই তাক জানিবৰ উপায় নাই।

এই জাতি মানুহ পোন-প্ৰথমে এই দেশলৈ অহাৰ সম্বন্ধে বহুতে বহুত ৰকমে কয় :—কোনোলোকে কয়, এওঁলোক পোন প্ৰথমে চিন দেশৰপৰা অহা, কোনোৱে কয় তিব্বত দেশৰপৰা অহা। এই বিষয়ে কোনটো সঁচা কথা কোনোৱে নিশ্চয় কৰি কব নোৱাৰে। আৰু কোনোৱে ভাবিব পাৰে যে, কাচাৰৰপৰা অহাৰ কাৰণেই কাচাৰী বোলে; কিন্তু সেইটো সম্পূৰ্ণ ভুল; কাৰণ যি সময়ত কচাৰী ৰজাৰ ৰাজধানী ডিমাপুৰৰ বা মাইবঙৰপৰা কাচাৰলৈ নিয়ে তেতিয়া সোণোৱালসকল সদিয়া চহৰত আছিল। ইয়াৰ প্ৰমাণ ৺কেশদেৱ গোসাঁইয়ে ১৬৮১ চনত সদিয়া চহৰত তেওঁলোকক লগ পাইছিল।

শুনা যায় এই জাতি মানুহ নিজ দেশৰ ৰজাৰ লগত কোনো বিষয়ে বিবাদ লাগি একে ৰাতিৰ ভিতৰতে এহেজাৰ ঘৰ মানুহ লৰা তিৰোতাৰে সৈতে পলায় আহে; এই বাবেই এই সম্প্ৰদায়ৰ মানুহক এতিয়াও "সোণোৱাল হাজাৰ" বোলে। এওঁলোকে প্ৰথমে পলাই আহোঁতে খোৱা বোৱা বিষয়ে বৰ কষ্ট পাইছিল, অৰণ্যৰ ভিতৰত গছৰ গুটী, আলু আদি খাই হে প্ৰাণধাৰণ কৰিছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত লক্ষীমপুৰ অঞ্চলত তেওঁবিলাকক প্ৰথমে এঘৰ ডফলা মানুহ লগ পায়। এই ঘৰ ডফলাৰ ছয় অৰা অৰ্থাৎ ২৪ ডাল জখাল আছিল, ইহঁতে আমাৰ সোণোৱালসকলক মুঠেই এদিন ভাত খুৱাইছিল। সেই ডফলা ঘৰৰপৰা ধান, মাহ আদি শস্যৰ কঠিয়া লৈ সেই ঠাইতে অনেক দিন খেতিবাতি কৰি আৰু সোৱণশিৰি আদি নৈত সোণ কমাই জীৱিকা নিৰ্ব্বাহ কৰিছিল বুলি শুনা যায়। সেই সময়ত লক্ষীমপুৰ জিলাৰ ওচৰত অইন মানুহৰ বসতি নথকাৰ কাৰণহে ডফলা মানুহ ঘৰৰ আশ্ৰয় লবলৈ বাধ্য হয়। সোণোৱালসকলে সেই ঠাইৰপৰা ক্ৰমান্বয়ে গৈ সদিয়া, কুণ্ডিল আদি ঠাইত অনেকদিন বসতি কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে চল, বুঢ়ীসুতী, ডিহং, ডিবাং আদি নৈত সোণ কমাইছিল বুলিও শুনা যায় আৰু খেতি পথাৰ কৰি থাই বহুত দিন বসতি কৰি ক্ৰমে ক্ৰমে কুণ্ডিল নগৰ পাইছিলগৈ।

সোণ কমোৱা বিদ্যা এটা মহৎ শিল্প ব্যৱসায়। ইতিহাসৰপৰা জনা যায় যে, আসাম দেশখন পূৰ্ব্বে ম্লেচ্ছৰ ৰাজ্য আছিল, "মহাভাৰতত" এই বিষয়ে উল্লেখ আছে। সোণোৱাল কৈদৰ পৌৰাণিক নীতি-নিয়ম আদিৰ ফালে চালে এই জাতিক ম্লেচ্ছ বা অসভ্য বুলি অনুমান কৰিব নোৱাৰি আৰু সোণ কমোৱাৰ নিচিনা এটা মহৎ শিল্প ব্যৱসায় যে অসভ্য জাতিৰ দ্বাৰাই হব নোৱাৰে সভ্য জগতে অৱশ্যে স্বীকাৰ কৰিব। বোধ কৰোঁ পূৰ্ব্বে যেনেকৈ আহোম ৰজাই কনৌজ ( কান্যকুব্জ ) দেশৰপৰা ব্ৰাহ্মণ, কায়স্থ অনাই লৈছিল, মিস্ত্ৰি অনাই নানাবিধৰ শিল্প কাৰ্য্য কৰাই লৈছিল আৰু পণ্ডিত অনাই লেখাপঢ়াৰ চৰ্চ্চা বঢ়াইছিল ; সেইদৰে এই জাতিও কোনো সভ্য দেশৰপৰা আহি সোণ কমাই জীৱিকা নিৰ্ব্বাহ কৰিছিল।

আজিকালি এই কৈদৰ মানুহক সাধাৰণ কচাৰী জাতিৰ লগত মিলাইছে। এই কৈদৰ মানুহে কোন ঠাইত সোণ কমাইছিল বুৰঞ্জী বা ইতিহাসত ফটফটীয়াকৈ দেখাই নিদিয়ে। যদি কোনো ইতিহাসত সোণোৱাল আৰু কচাৰী একে জাতি বুলি স্পষ্ট প্ৰমাণ পোৱা নাযায় তেনেহলে এই দুই জাতিক একে কচাৰী বুলি ধৰাটো যুক্তিযুক্ত নেদেখোঁ। আৰু এটা কথা, বৰ্ত্তমান ডিমাপুৰ নগৰত কচাৰী ৰজাৰ যি ভগ্নাৱশেষ স্মৃতি চিন দেখিবলৈ পোৱা



যায়, সেইবিলাক স্মৃতিচিন বিচাৰি চালে পৌৰাণিক ইতিহাসৰ কথাও অপ্ৰত্যয় যেন মনে ধৰে, কাৰণ অসভ্য দেশৰ মানুহে যে ইমান শিল্প নৈপুণ্য দেখাব নোৱাৰে সভ্য জগতে এই বিষয়ে অৱশ্যে স্বীকাৰ কৰিব। শঙ্কৰী যুগৰ ধৰ্ম্মৰ ফালে চালেও আসামৰ অন্যান্য আদিমবাসী ভাই ককাই আৰু সম্প্ৰদায়ৰ আচাৰ ব্যৱহাৰত বেছি হীন-ডেটি দেখা নাযায়। ইতিহাসত ফটফটীয়াকৈ দেখ পোৱা যায় যে সকলো আদিমবাসীয়েই আদিতে শঙ্কৰী যুগৰ বাহিৰে আন্ধাৰত পৰি আছিল। আদিমবাসী ভাইককাইবিলাকে যি সময়ত ৺মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মত দিক্ষিত হৈছে এই কৈদৰ মানুহো তাৰ সমসাময়িক বুলি ধৰিব লগে। এই কৈদৰ মানুহ বৈষ্ণৱ ধৰ্ম্মত প্ৰবৰ্ত্তন হোৱা প্ৰায় ৩০০ বছৰৰ ওপৰ হৈছে। সোণোৱাল জাতি কুণ্ডিল নগৰত থাকোতে মহাৰাজ গদাধৰ ৰজাৰ সময়ত আউনীআটী সত্ৰৰ ৺কেশদেৱ অধিকাৰ গোসাঁই তালৈ গৈ ( ১৬৮১ পৰা ১৬৮৭ চনৰ ভিতৰত ) তেওঁলোকক শৰণ ভজন দি বৈষ্ণৱ ধৰ্ম্মৰ বাটলৈ আনে ; কিন্তু ৺কেশদেৱ চৰিত্ৰৰ মতে ১৫৪১ শকত বুলিহে লেখা আছে। সোণোৱাল মানুহ যিমান আছে তেওঁলোকে সেই সময়ৰপৰা আজিলৈকে আউনীআটী সত্ৰৰ সেৱক হৈ বৈষ্ণৱ ধৰ্ম্মৰ আচাৰ ব্যৱহাৰ মতে চলি আছে। এই সমাজে ব্ৰাহ্মণৰ বাহিৰে আন আন হিন্দুসকলৰ আচাৰ ব্যৱহাৰ ৰীতি নীতি অনুসাৰে নিজৰ ভিতৰত এতিয়ালৈকে চলাই আছে ; কিন্তু বিবাহ আদিত হে ওপৰ থাপৰ হিন্দুৰ লগত মিল নাই।

---

# অতীজৰ উকি।

( ১ )

ব্ৰহ্মপুত্ৰৰ পুৰণি নাম বহুত আছিল। তাৰ ভিতৰত এইকিটাই প্ৰধান :—হ্ৰ্দনী, হ্ৰস্ব, অন্তছীলা, অস্থিবলী, খাটাই, ব্ৰমি চায়ানধোনী, পছিলেচ্, চেৰচিলিচ্, খামাউন, কামচ, দুৱৈনচ, কৰংতিকা, কৰ, কায়া আৰু ছিয়ানে।

( ২ )

দিহঙৰ পুৰণি নাম শূদ্ৰলোহিত ; দিহিঙৰ ধনী ; সোৱণশিৰীৰ চেৰা লোহিত আৰু চাম।

( ৩ )

আসামৰ আগৰ নাম :-পিটান, কামপীঠ, কাম্পতা, কাঠা, সমত্ত, কড়া, গদা, গড়, উত্তৰ গড়, দক্ষিণ গড়, উত্তৰ গোল, দক্ষিণ গোল।

( ৪ )

শিৱসাগৰৰ আৰু লক্ষীমপুৰ জিলাৰ পুৰণি নাম আছিল উত্তৰ কড়া। আসামৰ পূৰ্ব্ব কালে এখন টঙ্কেৰ নামৰ বৰ ডাঙৰ নগৰ আছিল। বহুতে শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ মাজতে এই ঠাই নিৰ্ণয় কৰে ; কিন্তু কোনও ইয়াৰ সীমা থিৰাংকৈ কব নোৱাৰে।

( ৫ )

ব্ৰহ্মকুণ্ড বা পৰশুৰাম কুণ্ডক সদিয়াৰ হ্ৰদ বুলিহে আগেয়ে সকলোৱে জানিছিল। বৰ্ত্তমান সদিয়া চহৰৰ নাম এই হ্ৰদৰপৰাই হয়।

( ৬ )

পৰশুৰাম কুণ্ডতকৈও ডাঙৰ আৰু এটা কুণ্ড আসামত আছে। এই কুণ্ডক 'দেওডুবি' বোলে। নগাপৰ্ব্বতৰ যি কুকুঙৰপৰা ডিচাং নৈ ওলাইছে তাতে এই কুণ্ড আছে। ই বৰ দ ডাঙৰ আৰু দেখিলে ভয় লগা।

বম।

---

# দক্ষিণপাট সত্ৰ।

তৃতীয় বছৰৰ ৯ম সংখ্যা "বাঁহী" ত প্ৰকাশ হোৱা "দক্ষিণপাটলৈ দ্বিতীয় চিঠি"ত শ্ৰীযুত দ্বাৰিকানাথ দেৱশৰ্ম্মা মহন্তই লেখিছে,—"জয়ধ্বজ ৰজাই দক্ষিণপাট সত্ৰ পতা কোনো বুৰঞ্জী আৰু চৰিত্ৰত বিন্দুবিসৰ্গও পাবলৈ নাই। প্ৰভুসকলে কেনেকৈ পালে, জানিবলৈ পাম নে ?"



"চৰিত্ৰ'ত জয়ধ্বজ ৰজাই দক্ষিণপাট সত্ৰ পতাৰ "বিন্দু বিসৰ্গ" আছেনে নাই, সেই কথা আমি অৱশ্যে ক'ব নোৱাৰোঁ,—কাৰণ আমাৰ "চৰিত্ৰ'ত সিমান অভিজ্ঞতা নাই,—কিন্তু সেই সম্পৰ্কে "বুৰঞ্জী"ত হলে ( বুৰঞ্জী বুলিলে আচলতে আমি যাক বুজোঁ ) "বিন্দু বিসৰ্গ" হে নালাগে, "হ—ক্ষ" লৈকে আছে।

"প্ৰভুসকলে" নো সেই কথা কেনেকৈ পালে, তাৰ উত্তৰত, "প্ৰভু সকল"ৰ সলনি আমিয়েই শ্ৰীযুত দেৱশৰ্ম্মা মহন্তক জনাওঁ যে সেই কথা "বুৰঞ্জী" তে পোৱা হৈছে, (অৱশ্যে ৺কাশীনাথ তামুলী ফুকনৰ বা ৺বায় গুণাভিৰাম বৰুৱা বাহাদুৰৰ বুৰঞ্জীত নহয়,—শ্ৰীযুত গেইট চাহাবৰ বা অনৰেবল শ্ৰীযুত পদ্মনাথ বৰুৱাৰ "বুৰঞ্জী" তো নহয় )। ই এটি বুৰঞ্জীমূলক সত্য কথা। সত্যতাৰ অনুৰোধত আমি কবলৈ বাধ্য হৈছোঁ, যে শ্ৰীযুত দেৱ শৰ্ম্মা মহন্তই ( যদিও তেখেতে অনেক বুৰঞ্জী পঢ়িছে বুলি ক'ব খোজে ) সকলোবিলাক "বুৰঞ্জী" পঢ়িবলৈ পোৱা নাই ( পোৱাও অসম্ভৱ ) কিন্তু তেখেতে নিশ্চয় চকৰিফেঁটী বুৰঞ্জী'ৰ নাম শুনিছে। সেই বুৰঞ্জীৰপৰা আমি তলত লিখা কথাকেইফাঁকিতুলি দিলোঁ,—তাৰপৰাই তেখেতে জয়ধ্বজ ৰজাই দক্ষিণপাট সত্ৰ পতা হয়নে নহয় বুজিব পাৰিব। তেখেতে ইচ্ছা কৰিলে "বুৰঞ্জী"ও দেখুৱাব পৰা হব।

"চকৰীফেঁটী বুৰঞ্জী,'ত লিখিছে :—

"পূৰ্ব্বে মোমাই তামুলী বৰবৰুৱাই আলিয়াৰ খাঁ সহিতে যি প্ৰীতি গোট কৰিলে, সেই প্ৰীতি গোট চৈয়দ হচেন নবাব, চৈয়দ ফৌটুক, নবাব মিৰ্জ্জা, এইসকলৰ দিনত সেই প্ৰীতিয়ে আছিল। সেই বেলা জয়ধ্বজ মহাৰাজা যদুচৰণৰ আগত টৈক, বেহাৰত বনমালী গোসাঁই আছিল,— গোসাঁই আহিবলৈ অনেক প্ৰকাৰে বচন বুলিলে। গোসায়ো মহাৰাজাৰ বচন শুনি প্ৰাণনাৰায়ণ ৰজাক বুলিলে,—প্ৰাণনাৰায়ণ ৰজায়ো বিদায় কৰিলে। গোসায়ে বোলে মহাপ্ৰভু শ্ৰীজগদীশ জগন্নাথক দৰ্শন হবৰ নিমিত্তেহে পূৰ্ব্বে আসিলো,—এখন জগন্নাথ দৰ্শন হবৰহে বিদায় কৰোঁ। প্ৰাণনাৰায়ণ ৰজায়ো বোলে বাৰু যা,—গোসাঁই মহাপ্ৰভু জগন্নাথ দৰশন হই পুনৰ্ব্বাৰ ঘুৰি আহগৈ। গোসায়ে বোলে, আমি স্বতন্ত্ৰ নোহোঁ,—আমি

ঈশ্বৰৰ অধীন,—ঈশ্বৰে কোন ঠাইক নিয়ে একো নাজানি। এই বুলি দেৱ বনমালী জগন্নাথক গ'ল,—গোঁসায়ো জগন্নাথ দৰ্শন হই পুনৰ্ব্বাৰ ফিৰি আহি বিজয়পুৰত ৰহিল হি। এই কথা মহাৰজাই শুনি বৰফুকনলৈ বুলিলে বোলে, গোঁসাইক শীঘ্ৰ কৰি আনক। মহাৰাজাৰ আজ্ঞা শুনি বৰ ফুকনেও গোঁসাইক মানুহ দি অনাই কলীয়াবৰত জখলাবন্ধাত সত্ৰ কৰি থ'লে। কতদিন থাকি জতকৰাত ( শাক বাৰীত ? ) সত্ৰ কৰি মহাৰজা হাতে থলে। তাত পাছে বনমালী গোঁসাইক আনি ভাটিয়া পাৱৰ পুথুৰি উসর্গ কৰিলে।" ইত্যাদি।

শ্ৰীহিতেশ্বৰ বৰবৰুৱা।

---

# স্বাস্থ্য আৰু আমাৰ আহাৰ।

"The corner stone of a long and happy life is moderation and self-control. He who possesses these virtues keeps his liberty and independence, for many diseases are the consequence of persons not listening to the voice of conscience and overfilling their stomachs."

শৰীৰৰ স্বাভাৱিক নীৰোগ অৱস্থাৰ নামেই স্বাস্থ্য। স্বাস্থ্য সকলো সুখৰ নিদান। স্বাস্থ্যবান পুৰুষৰ মনত বিমল আনন্দম গোঁত বয়। তেওঁৰ প্ৰাণ অসীম উদ্যম, অসীম উৎসাহ, অসামান্য সংযম আদি নানা গুণেৰে গঠিত। কিন্তু স্বাস্থ্যহীন পুৰুষৰ মনত উদ্যম, উৎসাহ, সংযমশক্তি এনে গুণৰ সোঁত বব নোৱাৰে। তেওঁৰ চকুৰে মাথোন কেউপিনে নিৰাশ দেখে। জগৎ তেওঁৰ মনত মৰুভূমিৰ নিচিনা হয়, জীৱনৰ অমিয়া মিছা হয়। তেনেহলে এই সকলো উন্নতি মূল, সকলো সুখৰ নিদান স্বাস্থ্যক যে অতি যত্নেৰে ৰক্ষা কৰিব লাগে তাক কোৱা বাহুল্য মাথোন।

স্বাস্থ্যৰ বিষয়ে আলোচনা কৰিবলৈ গলেই প্ৰথমে আমি আমাৰ জীৱন ধাৰণৰ প্ৰধান উপায় আহাৰৰ বিষয়ে কব লাগিব। কাৰণ আহাৰ বা আমাৰ খাদ্যৰ লগত স্বাস্থ্যৰ অতি ওচৰ সম্বন্ধ। আমাৰ বহুতৰ আহাৰৰ



বিষয়ে বহুত ভুল ধাৰণা আছে। সেই বিষয়ে জানি তাৰ প্ৰতিকাৰ কৰিবলৈ চেষ্টা কৰা নিতান্ত আৱশ্যক! কিন্তু এই বিষয়টি অতি বিস্তৃত আৰু ই চিকিৎসাশাস্ত্ৰ আৰু ৰসায়ন বিদ্যাৰ লগত ঘনিষ্টভাৱে সংশ্লিষ্ট। সেইবুলি পৃথিৱীৰ সকলো মানুহ চিকিৎসক হব নোৱাৰে, সকলো মানুহে স্বাস্থ্যবিজ্ঞান পঢ়িব নোৱাৰে। তথাপি করুণাময় পৰমেশ্বৰে আমাক এনে বিপদতো পেলাই থোৱা নাই যে স্বাস্থ্য ৰক্ষা কৰিবলৈ হলেই, তাৰ বিজ্ঞান পঢ়ি সকলো চিকিৎসক হব লাগিব। তেনে হোৱা হলে বোধ কৰোঁ সংসাৰৰ বুৰঞ্জীয়ে আন ৰকমে থিয় দিলেহেঁতেন। আমাৰ ক্ষুদ্ৰ শক্তিৰে এই বিষয়ে সাধাৰণ লাগতিয়াল কথাকেইটি জানিবলৈ যথেষ্ট ক্ষমতা আমাৰ আছে।

স্বাস্থ্যৰ লগত আমাৰ দৈনিক খাদ্যৰ ঘনিষ্ট সম্বন্ধ। সকলোৱে জানে যে আমাৰ খাদ্যৰ পৰিমাণ জোখতকৈ বেছি হলে নানাৰকম অজীৰ্ণ প্ৰভৃতি বেমাৰ হয় আৰু সেইদৰে আহাৰৰ পৰিমাণ জোখতকৈ কম হলেও আমাৰ শৰীৰ জীৰ্ণ শীৰ্ণ হৈ বহুত ৰোগৰ বাহ হয়।

শৰীৰ জীৰ্ণ শীৰ্ণ হৈ বহুত ৰোগৰ বাহ হয়। এই কথা অতি যথেষ্ট পৰিমাণ আহাৰৰ অভাৱত অকাল মৃত্যু ঘটে। সেইদৰে আকৌ আহাৰ দুখীয়া মানুহবোৰলৈ মন কৰিলেই দেখা যায়। নানাৰকম ব্যাধিৰ উৎপন্ন বেয়া হলে, উচিত ৰকমে ব্যৱহাৰ কৰিব নেজানিলে নানাৰকম ব্যাধিৰ উৎপন্ন হয়। যেনেকৈ বেছি পৰিমাণে মঙহ খোৱা মানুহৰ Gout বাত প্ৰভৃতি বেমাৰ, আৰু বেছিপৰিমাণে সোৱাদ বস্তু খোৱা লোকৰ বহুমূত্ৰ (Diabetes) প্ৰভৃতি ৰোগ হবৰ সম্ভাৱনা থাকে বুলি চিকিৎসকসকলে কয়। খাদ্যৰ ওপৰতে সাধাৰণ স্বাস্থ্য (public health) বিশেষভাৱে নিৰ্ভৰ কৰে। যি জাতিৰ যথেষ্ট পৰিমাণ খোৱা বস্তুৰ অভাৱ সেই জাতিৰ জাতীয় দুৰ্ব্বলতা দেখা যায়। সেইকাৰণে যি বস্তুৰ ওপৰত আমাৰ স্বাস্থ্য, উন্নতি, সম্পদ নিৰ্ভৰ কৰিছে সেই বিষয়ে অলপ আলচ কৰিবলৈ চেষ্টা কৰা আমাৰ সময়ৰ অপব্যৱহাৰ নহব। এই বিষয়ে আমি বহুত কথা জানিও আৰু তাৰ প্ৰতিকাৰ কৰিবৰ সামৰ্থ্য থকা স্বত্বেও যে কৰিবলৈ চেষ্টা নকৰোঁ ই বৰ দুখৰ বিষয়।

এতিয়া দেখা যাওক আমাৰ খাদ্য নো কি ? আমি যিহকে খাওঁ তাকে খাদ্য বুলিব নোৱাৰি। মানুহে তামোল, ধপাত, চুৰুট খায়, সেইবুলি এই

বোৰক খাদ্য বুলিব নোৱাৰি। চাহ, কোকো প্ৰভৃতিকো খাদ্য বুলিব নোৱাৰি। যিটো খোৱা বস্তুৱে আমাৰ শৰীৰৰ পুষ্টি সাধন কৰে তাকে আমাৰ আচল খাদ্য বা আহাৰ বোলে। গাখীৰ, গছৰ ফলমূল ইত্যাদি কিছুমান খাদ্য স্বাভাৱিক অৱস্থাতে শৰীৰ পোষণৰ উপযোগী। আমাৰ আনবোৰ খাদ্য যেনে চাউল, মাহ, আটা, চুজি, সিজাই বা বান্ধি এনে কোনো কৃত্ৰিম উপায়ে খাদ্যৰ উপযোগী কৰি লোৱা হয়।

আহাৰ আমাৰ প্ৰয়োজন কিয়? যিসকলে কেতিয়াবা দীঘলীয়া ব্ৰত উপবাসে থাকি পাইছে তেওঁলোকেই ইয়াৰ ভাল উত্তৰ দিব পাৰিব। দুৰ্ভিক্ষৰ সময়ত খাবলৈ নেপাই কত মানুহ মৰি যায়! মোটৰ ওপৰত দুটি কাম খাদ্যই কৰে—(১) শৰীৰৰ পুষ্টি সাধন (২) গাত বল শক্তি দান। যি কামকে আমি কৰিব লাগিছোঁ তাতে দিনে দিনে মুহূৰ্ত্তে মুহূৰ্ত্তে আমাৰ ক্ষয় হব লাগিছে। আমাৰ শৰীৰৰ ভিতৰত সদাই এক ৰকম দহন ক্ৰিয়া (Slow combustion) হব লাগিছে আৰু তাৰ বাবেই ক্ষয় সাধন হব লাগিছে। কোনো গুৰু পৰিশ্ৰম কৰাৰ পিছত এজন মানুহৰ ওজন ললে তেওঁৰ ওজন আগতকৈ কম হব। শৰীৰৰ এই দৈনিক ক্ষয় নিবাৰণ আৰু শক্তি সঞ্চয়ৰ নিমিত্তেই আমি আহাৰ কৰিব লাগিছোঁ। খাদ্যই শৰীৰৰ বৃদ্ধি সাধনো কৰে। এটি কেঁচুৱা লৰা আহাৰৰ বলতে দিনে দিনে বাঢ়ি কালত এজন ডেকা হয়গৈ। জন্মৰপৰা ২৫।৩০ বছৰলৈকে মানুহৰ বৃদ্ধি সাধন হয় বুলি কয়। আমাৰ খাদ্যৰ ভিতৰত শক্তি বহুত পৰিমাণে লুকাই থাকে। সেই কাৰণেই ক্ষয় নিবাৰণ, শক্তি সঞ্চয় আৰু গাত বল বঢ়াবলৈ আমাৰ খাদ্যৰ প্ৰয়োজন। সকলো খাদ্যই সমান ভাবে এই এটাইবোৰ কাম কৰিব নোৱাৰে। কোনো খাদ্যই শৰীৰৰ ক্ষয় নিবাৰণ কৰে, কোনোটোৱে বা বল জন্মায়, এইদৰে খাদ্য বিশেষে খাদ্যৰ বিভিন্ন বিভিন্ন গুণ আছে।

আমি যি বস্তু খাওঁ, সি শৰীৰৰ ভিতৰলে গৈ আন অৱস্থা লাভ কৰে আৰু তেতিয়াহে সি শৰীৰ পোষণৰ উপযোগী হয়। সি পৰিবৰ্ত্তন নোহোৱাকৈ আমাৰ তেজৰে সৈতে মিহলি হৈ শৰীৰৰ ক্ষয় পূৰণ কিংবা বৃদ্ধিসাধন কৰিবলৈ অপাৰগ। আমাৰ শৰীৰৰ ভিতৰত নানাপ্ৰকাৰৰ যন্ত্ৰ



আছে আৰু এইবোৰৰ সহায়েৰে আমি খোৱা বস্তু আদি অৱস্থাৰপৰা সম্পূৰ্ণ ৰূপে পৰিবৰ্ত্তিত হয় আৰু তেতিয়াহে সি শৰীৰ ৰক্ষাৰ উপযোগী হয়।

আমাৰ আহাৰ যাতে ভালকৈ পৰিপাক হয় তাৰ নিমিত্তে বিশেষ যত্নবান হব লাগে। এই বিষয়ে আমি বহুতে এটা অতি প্ৰয়োজনীয় আৰু সহজ কথা জানিও নকাৰোঁ;—আমাৰ বহুতে নাকে মুখে গুঁজি অতি খৰকৈ আহাৰ কৰে। প্ৰসিদ্ধ চিকিৎসকসকলে কয় যে আহাৰ লাহে লাহে চোবাই কৰিব লাগে আৰু খৰকৈ আহাৰ কৰা একেবাৰে অযুগুত। কিয়নো, আমাৰ মুখৰ ভিতৰত 'লালটি' বুলি এবিধ বীজলীয়া পানীৰ দৰে বস্তু আছে। ইংৰাজিত ইয়াক 'Saliva' বোলে। মুখৰ ভিতৰত লেলাউটিৰ তিনটি সৰু থৈলা আছে। এই থৈলাৰ ভিতৰত লালটিৰ উৎপন্ন হৈ গলোদি সি মুখৰ ভিতৰলৈ আহে আৰু আমি খোৱা আহাৰৰ লগত মিহলি হৈ তাক তিয়াই কোমল কৰে আৰু আমি যি খাওঁ তাৰ যি অংশ শ্বেতসাৰ (Starch) তাক দ্ৰাক্ষাচেনিলৈ (Grape-sugar) পৰিণত কৰে। আমাৰ আহাৰৰ শ্বেত-সাৰ (Starch) যদি চেনিলৈ পৰিবৰ্ত্তিত নহয় আমি আহাৰ উত্তম ৰূপে পৰিপাক কৰিব নোৱাৰোঁ। সেইকাৰণেই আহাৰ লাহে লাহে চোবাই কৰিব লাগে; তেহে আমাৰ আহাৰৰ ওপৰত 'লালটিয়ে' তাৰ পূৰা কৰ্ত্তব্য কৰিব পাৰে। উত্তমৰূপে চোবোৱাৰ অভাৱত খাদ্য সূক্ষ্ম অংশত বিভক্ত হব নোৱাৰে আৰু লালটিৰ লগত ভালকৈ মিহলি হবলৈ সময় নিদিয়া বাবে, খাদ্যৰ বেছি ভাগ শ্বেত-সাৰ (Starch) দ্ৰাক্ষা-চেনিলৈ পৰিবৰ্ত্তিত হবলৈ নেপায়। তাৰ কুফলস্বৰূপ খাদ্যৰ আচল সাৰভাগ অসাৰ পদাৰ্থ হৈ শৰীৰৰপৰা ওলাই যায়। ডাক্তৰসকলে ইয়াৰ বৰ বেয়া ফল বুলি কয়। তেওঁলোকে কয় যে ভালকৈ চোবাই নোখোৱাৰ বাবে নিয়মমতে লগা আহাৰতকৈ বেছি খাবলৈ বাধ্য হোৱা যায় আৰু পিছত অতি ভোজনৰ বিষময় ফল ভোগ কৰিব লগাত পৰে। কিন্তু লাহে লাহে চোবাই আহাৰ কৰিলে আমাৰ ভোকৰ অস্বাভাৱিক প্ৰকোপ নাইকিয়া হয় আৰু সেই কাৰণে যি পৰিমাণ আমাৰ ভোক লাগে তাতকৈ বেছি আহাৰ গ্ৰহণ কৰিবৰ আৰু দৰ্কাৰ নহয়। এই সু-অভ্যাস যাৰ আছে, তেওঁ সহজে পোৱা খাদ্যৰেই যথেষ্ট তৃপ্তি লাভ কৰিব পাৰে আৰু বেছি

মঙ্গহ খাবৰ লালসাও নহয়। এনেদৰে খোৱাৰ ফলত আমাৰ খোৱা বস্তুৰ সৰহ ভাগেই পৰিপাক হৈ যায় আৰু নিচেই অলপহে মলৰূপে বাহিৰ হয়। ডাক্তৰসকলে প্ৰমাণ কৰিছে যে যিসকল এই সু-অভ্যাসৰ পৰাকী, তেওঁলোকৰ মলত বেছি দুৰ্গন্ধও নহয়। উত্তমৰূপে চোবাই আহাৰ কৰিলে যে আমি বহুত ৰোগৰপৰা নিস্কৃতি লাভ কৰিব পাৰোঁ তাত সন্দেহ নাই আৰু স্বৰূপ কথা কবলৈ গলে অনাৱশ্যক আহাৰত যি খৰচ হয় তাৰোপৰা হাত সাৰিব পৰা যাব। একেবাৰতে বহুত আহাৰ শৰীৰলৈ অপকাৰী। তেনে কৰিলে পৰিপাক শক্তি ক্ষীণ হৈ যায়। অলপ ভোক ৰাখি ( হাতত ৰাখি ) আহাৰ কৰিব লাগে। গুৰুভোজন কৰিলে এলাহ হব আৰু পৰিশ্ৰম কৰিবৰ মন নাযায়। গুৰু ভোজন কৰিলে সেই-খাদ্যৰ বেছি ভাগেই শৰীৰ ৰক্ষাৰ নিমিত্তে প্ৰয়োজন নহয়। শৰীৰৰ যন্ত্ৰবোৰে প্ৰথমতে এই খাদ্যৰ অতিৰিক্ত অংশক শৰীৰৰ কামত লগাবৰ নিমিত্তে খুব চেষ্টা কৰে। এই চেষ্টা যাথোন সিহঁতৰ পৰিশ্ৰম আৰু শক্তিৰ অপব্যয়। পিছত যেতিয়া এই অপৰিমিত আহাৰ শৰীৰৰ কোনো ভাল কামলৈ নাহে, তেতিয়া সেই নলগা অতিৰিক্ত আহাৰখিনিক শৰীৰৰপৰা বাহিৰ কৰি দিবলৈ আন কিছুমান যন্ত্ৰই বৃথা পৰিশ্ৰম কৰিব লাগে। শৰীৰৰ কোনো কামত নলগা বাবে আহাৰৰ অতিৰিক্ত অংশ নানা ৰকম দূষিত পদাৰ্থলৈ পৰিণত হয়, তাৰ পাছত শৰীৰৰ তেজৰ লগত মিহলি হৈ তেজ বোৰ বিকৃত কৰি পেলায়। তাৰ ফলত নানাৰকম সাংঘাতিক বেমাৰৰ উৎপন্ন হয়। তেনেহলে স্বাস্থ্যৰ বিৰুদ্ধ এই গুৰুভোজন কেনে ভয়ানক আৰু তেনে আহাৰ এৰা কিমান সুখকৰ তাক কোৱা অনাৱশ্যক।

গুৰুভোজনে যে শৰীৰৰ অৱস্থা একেবাৰে নষ্ট কৰি পেলায় তাক সহজ জ্ঞানেৰেই বুজিব পাৰোঁ। কোনো এটা যন্ত্ৰেৰে যদি তাৰ কৰিবৰ সীমাৰ বাহিৰে তাৰে হৈতে বেছিকৈ কাম কৰোৱা যায় সি একেবাৰে অকৰ্ম্মণ্য হৈ নষ্ট হৈ পৰে। সেইদৰে শৰীৰৰ যন্ত্ৰবোৰক যদি সিহঁতৰ শক্তিৰ অতীত পৰিশ্ৰম কৰিবলৈ দিওঁ সিহঁত প্ৰকৃত সময়ৰ পূৰ্ব্বেই নষ্ট হৈ অকাল মৃত্যু নানিবৰ কাৰণ কি ?

পৰিমিত আহাৰ কৰিলে আৰু সকলোতে সংযমী হলে দীৰ্ঘ জীৱন লাভ



কৰিব পাৰি। এই কথা এই প্ৰবন্ধৰ শিতানতে তুলি দিয়া ইংৰাজি কথাকেই ফাকিয়েই কয়। এই কথাৰ সত্যতা প্ৰমাণ কৰিবলৈ বুৰঞ্জীলৈ এবাৰ মন কৰিলেও ভূৰি ভূৰি উদাহৰণ পাওঁ। গ্লেডষ্টোন বৰ মিতভোজী আছিল আৰু সেইবাবেই তেওঁ ৮৯ বছৰলৈকে অদম্য উৎসাহ, অসীম শক্তিৰে কাম কৰি জীয়াই আছিল। বৰ্ত্তমান যুগতো এনেলোক বহুত আছে। মহামতী জগদ্বিখ্যাত দাদাভাই নৌৰজী বৰ মিতাহাৰী লোক। তেওঁ আজীৱন স্বাস্থ্য ভোগ কৰি আহিছে আৰু আজি ৯০ বছৰতো তেওঁৰ আগৰ উৎসাহ আগৰ পৰিশ্ৰম কমা নাই। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা তেওঁৰ সামৰ্থ্য আয়ুস আৰু বাঢ়ক। নিৰাশ হবৰ সকাম নাই ; আমাৰ যি অমিতাচাৰী, এতিয়াৰপৰা তেওঁ মিতাচাৰী হবলৈ শিকিলেও তাৰ সুফল লাভ কৰিব পাৰিব। ভেনীচ দেশৰ লুই কৰ্ণাৰোৱে ৪০ বছৰ বয়সলৈকে খোৱাত নানাৰকম অত্যাচাৰ কৰি ফুৰিছিল। ফলত তেওঁ স্বাস্থ্য একেবাৰে হেৰুৱাইছিল আৰু তেওঁৰ এনে সাংঘাতিক বেমাৰ হল যে ডাক্তৰে তেওঁৰ মৃত্যু অতি ওচৰ বুলিহে কৈছিল। কিন্তু সেই লুই কৰ্ণাৰোৰ যেতিয়া জ্ঞান আছিল, তেওঁ ঘোৰ অনুতাপ কৰি মিতাহাৰী হবলৈ দৃঢ় সংকল্প কৰিলে। লাহে লাহে তেওঁৰ হেৰোৱা স্বাস্থ্য আকৌ ঘূৰি আহিল আৰু নীৰোগ হৈ তেওঁ ·০০ বছৰতকৈও সৰহ দিন জীয়াই আছিল। অৱশ্যে অকল পৰিমিত আহাৰ কৰিলেই যে দীৰ্ঘজীবি হব পাৰি এনে নহয়। মনৰ অৱস্থাৰ লগতো স্বাস্থ্যৰ বিশেষ সম্বন্ধ। নানাৰকম সাংসাৰিক বিপদ, চিন্তা, মানসিক কষ্ট, দুখীয়া অৱস্থাৰ বাবে অস্বাস্থ্যকৰ ঠাইত বাস ইত্যাদি কাৰণতো অকাল মৃত্যু ঘটে।

অতিচাৰ সকলোতে বেয়া। অতি নিয়মিত হোৱাও টান আৰু তাৰপৰা অপকাৰো হয়।—

"A healthy man must accustom to changes of temperature and weather and even climate, to a certain irregularity in his meals and a thousand other little inconveniences, which for delicate subjects and persons accustomed to a too great regularity, would be easily a cause of disease."

সদাই প্ৰফুল্লচিত্তেৰে আহাৰ কৰা উচিত। আমি আহাৰ কৰাৰ আগতে ধোৱা ঠাই অৰ্থাৎ মজিয়া সকলো হিন্দুৰে ঘৰত মছা হয়। নমছা ঠাইত আহাৰ (ভাত) খলে, নৈষ্ঠিক হিন্দুসকলে তাক অশুচি জ্ঞান কৰে। তেওঁ লোকে যি ভাবিয়ে অশুচি বোলক, এইটো যে আমাৰ এটা বৰ ভাল নিয়ম সন্দেহ নাই। কিয়নো ধূলি, জাবৰেৰে পূৰ্ণ ঠাইত বহি আহাৰ কৰিলে সেই ধূলি জাবৰবোৰৰ ৰোগৰ বীজ আমাৰ মুখৰ ভিতৰত সোমোৱাৰ সম্ভাৱনা। সকলো কামত সেইদেখি পৰিষ্কাৰ হব লাগে। সকলো কামকে নিয়মেৰে শৃঙ্খলিত কৰি লব লাগে, তেহে সকলো কাম সুচাৰুৰূপে সুসম্পন্ন হৈ থাকে। আমাৰ দৈনিক ব্যৱহাৰত লগা বাচনবোৰৰ বিশেষ যত্ন লব লাগে। কাৰণ কিছুমান বস্তুত ৰোগৰ বীজে সহজে আক্ৰমণ কৰে—যেনে গাখীৰ। শৰীৰ ৰক্ষাৰ্থে যথেষ্ট ব্যায়াম লাগে। ইউৰোপীয়সকলৰ দৰে সকলো মাক বাপেকে নিজৰ লৰাই যাতে যথেষ্ট ব্যায়াম কৰে এই বিষয়ে মন কৰা নিজৰ কৰ্তব্য ভাবিব লাগে। শৰীৰ ৰক্ষাৰ নিচিনা মহৎ কাম সম্পন্ন কৰিবলৈ মহৎ গুণ সুচৰিত্ৰও লাগে। সাৰশেষত আমি তলত দিয়া ইংৰাজি কথা কেইটিৰে এই ৰচনা সমাপ্ত কৰিলোঁ।—

"An occupied mind, a heart that knows to moderate its desires, a firm will which knows to impose upon itself privations, an imagination which is kept in proper bounds, a pure and a quite conscience, render a man less subject to disease. He who pretends to take care of his body without bridling his passions is like a sailor in a nicely painted vessel without a rudder.'

শ্ৰীনগেন্দ্ৰনাথ ফুকন।

* গুৱাহাটীৰ একতা সভাত পঢ়া হৈছিল।



## গঙ্গাৰপ্ৰতি ভগীৰথ।

শুনা বাপু ভগীৰথ বোলে গঙ্গা মায়ে,
তোমাৰ বংশৰ পাপ হৰিম নিশ্চয়ে,
কিন্তু কিবা উপায়েৰে শুদ্ধ হম মই ?
ব্যাকুল হৃদয় মোৰ সিভাবনা ভাবি।
ভগীৰথে বোলে কিবা চিন্তা তাত আই,
সংহৰিব তয়ু পাপ সাধু মহাজনে,
সত্যবাদী, জিতেন্দ্ৰিয় যিটো সাধুজন,
ব্ৰহ্মবিনে আন একো নিচিন্তে ইতৰ,
শুদ্ধচিত্ত নিৰমল মহান-হৃদয়,
জগত পবিত্ৰ কৰে চৰণ ধূলিৰে,
ক্ষণমাত্ৰ সঙ্গে যাৰ তৰি ভৱসিন্ধু
জনম সাৰ্থক কৰে পাতকী পৰম।
সিজনৰ দাসৰো দাসৰ হৃদয়ত
যতনেৰে ভগৱন্ত থাকে অবিৰত।

শ্ৰীকন্দ্ৰকান্ত দেৱ গোস্বামী।

## উৎসাহ।

বৃটিচ ৰাজ্যৰ সব ধন্য প্ৰজাগণ ;
ৰাজ্যৰ মঙ্গল অৰ্থে খাটা প্ৰাণপন।
আত্মনাশি যেই সাধে মঙ্গল ৰাজ্যৰ,
সাৰ্থক জীৱন তাৰ বাহুবল তাৰ।
ইক্ষাকু বংশত পুৰ্ব্বে কতবীৰ গণ ;
ৰাজ্যৰক্ষা হেতু কৰে দেহা বিসৰ্জ্জন।
ধনী দুখী সৰ্ব্ব প্ৰজা বৃটিচ ৰাজ্যৰ,
যাতে ৰাজ ভক্তি থাকে প্ৰজা নিৰন্তৰ॥

শ্ৰীশ্ৰীআৰ, এল, চন্দ্ৰ (মাজুদেৱতা)
৺মিহিংসত্ৰ।

## গান।

আগ বাঢ়ি বল, আগ বাঢ়ি বল,
ঠেলা-গঁতা খাইও ভাই, আগ বাঢ়ি বল ॥
পাছ পৰি গলে
কোনেও নোতোলে,
মৰণ শৰণ কৰি আগ বাঢ়ি বল।
যদি থাক পৰি,
লাও টোকাৰি
হব তোৰ ইজনমে সহায় সম্বল।
গল আগ বাঢ়ি
কত জনে এৰি,
ৰাজ বাটে ধুম্ ধাম্ কৰি কল্‌কল্,
জয় গীত গাই,
নিচান উৰাই,
গল ; বল, দেখি বান্ধ মৰা গাটো বল।
সেই আনন্দ স্বৰ
শুনি কোনে ঘৰ
সোমাই থাকিব পাৰে? আগ বাঢ়ি বল।
যেই বাটে গল
সেই বাটে বল,
যাত্ৰী পদ-ধূলি লই সাহ বান্ধি বল।
জগ-যাত্ৰী লগে
যোগ দিব লাগে,
নোৱাৰহে যদি যাব যা ৰসাতল।

টীকা —"আগে চল আগে চল" বঙ্গলা গানৰ ভাব লৈ লিখা।

শ্ৰীসোণাৰাম চৌধুৰী।

---

ঘৰেপতি "কুন্তলৰ" ইমান গৌৰব কিয়?

কাৰণ আন একো নহয়, মাথোন ই গোন্ধত আমোল মোল, আৰু অনু-কৰণীয়। বজাৰত হেজাৰ হেজাৰ তেল ওলাইছে হয়, কিন্তু কোনেও ইয়াক গুণত আৰু গোন্ধত বলে পৰা নাই। কুন্তলবৃষ্য তেল ঘঁহি গা ধুলে দিনে ৰাতিয়ে সুগন্ধত মন বিভোৰ হৈ থাকে। মূৰ চেচা কৰি ৰাখিবৰ, টোপনি আহিবৰ আৰু মূৰ কামোৰনি গুচাবৰ পক্ষে ই অদ্বিতীয়। গোন্ধৰ নিমিত্তে ই তিৰুতাৰ বৰ আদৰৰ বস্তু।

বেচ— চিচিয়েপতি এটকা। তিন চিচিত ২।• টকা। ডজনত ৯৲ টকা।

ডাক খৰচ সুকীয়া।

যেইসেই দৰবতে মেলেৰিয়া নগুচে।

আয়ুৰ্ব্বেদীয় দৰবৰ বাহিৰে আন দৰবে মেলেৰিয়া গুচাব নোৱাৰে। আপুনি যদি আন দৰবত গুণ পোৱা নাই, তেন্তে আজিয়েই আমাৰ "ভূনিম্বাদি কষায়" খাওক, ই জৰ, জৰ খাপৰি, পাল জৰ, একেয়া জৰ, যকৃতৰ জৰ, অলপ কালৰ ভিতৰতে জইন মাৰি গুচায়। বেচ এটকা। ডাক খৰচ সুকীয়া।

ব্যৱস্থাপক কবিৰাজ
শ্ৰীপুলিনকৃষ্ণ সেন
কবিভূষণ।

ঋষিকল্প কবিৰাজ বিনোদলাল সেনৰ
আদি আয়ুৰ্ব্বেদ ঔষধালয়
১৯৬নং লোয়াৰ চিৎপুৰ ৰোড,
কলিকাতা।